# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1971

Budget Session,

Vol-I No. 21

The 8th April, 1971

## CONTENTS :


| | | Pages |
|---|---|---|
| 1. | Starred Questions and Answers ... ... | 1—39 |
| 2. | Re : Affairs of the Dibrugarh University Leading to the resignation of the Vice-Chancellor ... ... | 39—45 |
| 3. | Re : Non-receipt of relief by the flood-affected people of Mirja Circle ... | 45—48 |
| 4. | Re : Cyclone at Barpeta ... ... | 48 |
| 5. | General Discussion of the Budget...... | 49—102 |
| 6. | Statement by Chief Minister-Affairs of the Dibrugarh University leading to the resignation of the Vice-Chancellor ... | 102—112 |

Proceedings of the Eleventh Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India.

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M. on Thursday, the 8th April 1971

## PRESENT

Shri Mohi Kanta Das M.A.,B.L., Speaker, in the Chair, Fourteen Minister, Seven Ministers of State, Three Deputy Ministers and Sixty six Members.

---

## QUESTIONS AND ANSWERS

### Starred Questions

( To which oral answers were given )

**Re :- Troubles created by Nagaland Police personnel**

Shri Dulal Chandra Barua asked :

*112. Will the Chief Minister be pleased to state—

(a) Whether Government is aware of the continued depredations caused to the life and property of the simple and peace loving villagers living in the borders of Assam and Nagaland by Naga raiders times without number ?

(b) If so, what steps Government have taken to secure the life and property of the villagers ?

(c) Whether the atrocities so committed are consequent upon border dispute ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) replied :

112. (a)—Yes, we are aware of the continued troubles created to our people living on the border of Assam and Nagaland by Naga villagers and Nagaland Armed Police personnel.

(b)—With a view to protect the villagers from atrocities from Nagas, Government have established a number of Police Armed Posts, Border Out Posts and Check gates in the border areas of Sibsagar District. The Assam Police personnel are executing regular patrolling in the bordering areas to protect our villagers from Naga depredations and also to prevent further encroachment by Nagas in the Reserved Forests within our territory. We have also taken up the matter with the Government of India as well as the Gove.nment of Nagaland for stopping these illegal activities by Naga villagers and Nagaland Armed Police personnel.

(c) We have no border dispute with Nagaland. The atrocities presently committed by Nagas and Nagaland Armed Police personnel are mainly consequences of claims by Nagaland Government on certain areas within the constitutional boundary of Assam.

Shri Dulal Chandra Barua - The Chief Minister has stated the various precautionery measures that have been taken to peotect the life and property of the people living in the border area of Assam and Nagaland. Is Government aware of the fact that even after such measures, in the Desoi

Valley area, in Kheremia and Banarchaliha still atrocities are committed by the Nagaland Arm Police and the people on our people ? If so, what definite steps Government propose to take to prevent this ?

Shri Mahendra Mohan Choudhury- That question has been replied times without number in the floor of the House. It is true Sir, that in spite of protective measures the Nagaland Armed Police and the Nagaland people sometimes cause depredations in our territory and cause hardship to our people but short of confrontation with the Nagaland police we are taking all possible steps against the Nagaland Government.

Shri Dulal Chandra Barua - Whether Government made any attempt to find out or take back the persons who have been kidnapped from Kheremia village in 1969 ?

Shri Mahendra Mohan Choudhury- Sir I do not exactly remember whether any man from our territory was abducted in 1969. I can find it out and see whether any person is under detention or possession of the Nagaland Government.

Shri Dulal Chandra Barua - As the Chief Minister had been to Delhi recently whether any discussion took place with the Prime Minister and Home Minister in this respect and if so what is the result ?

Shri Mahendra Mohan Choudhury- We have come with certain concrete assurance from the Government of India. I have been allowed to disclose that. Immediately boundary demercation will be taken up and simultaneously an observer will be appointed to see whether in the course of boundary demercation advise any amicable settlement.

Shri Promode Chandra Gogoi - Whether Government have

taken steps to rehabilitate the people who have been evicted by the Nagaland Govt. ?

Shri Mahendra Mohan Choudhury- Chief Minister - Yes Sir-

Shri M.A.Musawwir Choudhury - Government not think that steps and measures that have been taken to give protection to the life and property of the people is not at all sufficient ?

Shri Mahendra Mohan Choudhury- Sir, I have already replied, that short of confrontation with the Nagaland Police personnel we have done everything.

Shri Soneswar Bora :— নগা সীমান্তত নগাৰ দ্বাৰা সদায়ে গন্দগোল হৈয়ে আছে। দৈয়াং ৰিৰ্জাভৰ যি অঞ্চলত নগা সীমান্তত মানুহ বহুৱা হৈছিল সেই ঠাইৰ ভালেমান ঠাইৰ পৰা নগাই আমাৰ মানুহক খেদি দিছে আৰু তাৰ বাহিৰেও সীমান্তৰ ৰেমাং আৰু ডিফুৰিৰ্জাভ সপূৰ্ণ নগালেণ্ড চৰকাৰে দখল কৰি লৈছে। এই নগা সীমান্তটোৰ সীমা বিবাদ যাতে স্থায়ী ভাবে নিষ্পত্তি হয় আৰু সীমান্তত মানুহে নিৰাপদে বস-বাস কৰিব পাৰে তাৰ কাৰণে চৰকাৰে আচলতে কি ব্যৱস্থা লৈছে পৰিষ্কাৰ কৈ জনাবনে ?

Shri Mahendra Mohan Choudhury :— যিবিলাক মানুহ বহুৱা হৈছিল সেই বিলাকক নগা পুলিচে আৰু নগালেণ্ডৰ বাইজে খেদাই পঠোৱাৰ চেষ্টা কৰিছিল। কিন্তু আমাৰ পুলিচৰ হস্তক্ষেপত সেই কাৰ্য্য বন্ধ হৈছে আৰু মানুহ বিলাক থাকিব পৰা অবস্থা হৈছে। আমাৰ সীমা নিদ্ধাৰণৰ সম্পৰ্কত মই শ্ৰীবৰুৱাৰ প্ৰশ্নৰ উত্তৰত কৈ আহিছো যে কেন্দ্ৰীয় চৰকাৰেও এই বিষয়ত সিদ্ধান্ত লৈছে ৯২৫ চনৰ চুক্তি মতে অসম আৰু নগালেণ্ডৰ সীমা সোনকালে নিদ্ধাৰণ কৰিব আৰু তাৰ লগে লগে দুয়োখন ৰাজ্যৰ কাৰণে যি adjustment হব লাগে তাৰ বাবে Observer নিয়োগ কৰা হব।

Shri Atul Chandra Goswami :- চিচু পানী অঞ্চলত চৰকাৰে যি বিলাক মানুহ বহুৱাইছিল সেই মানুহ বিলাকক নগা সকলে ঘৰ ভাঙি হাবি

কাতিবলৈ নিদি খেদাই দিছে। এই বিষয়ত অসম চৰকাৰে তেওঁলোকক ৰক্ষা কৰাৰ দিহা কৰিবনে?

Shri Mahend a Mohan Choudhury :— এই খবৰ মোৰ হাতত নাই। যদি তেনেকুৱা হৈয়ে থাকে তাৰ বাবে যি সু-বন্দবস্ত কৰিব লাগে আমি কৰিম।

শ্ৰীমহিধৰ পেগুৱে সুধিছে:

*১১৩ মাননীয় মীনক্ষেত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে?

(ক) মাজুলীৰ ৰাৱলা পুখুৰীটো কেতিয়া মীনক্ষেত্ৰ বিভাগে নিজৰ হাতলৈ আনিছিল?

(খ) বিভাগীয় কৰ্তৃপক্ষই নিজ হাতলৈ অনাৰ পিছত উক্ত পুখুৰীটোৰ পাৰ পানীমেটেকা আমি গুচাওতে কিমান ধন খৰচ কৰা হৈছিল?

(গ) ৰাৱলা পুখুৰীটো মীনক্ষেত্ৰৰ উপযোগী কৰাৰ পিছত তাত (স্বাভাবিক বা অস্বাভাবিক) মীন পন্নয়ন কৰা হৈছিল নে?

(ঘ) যদি হৈছিল তেন্তে তাৰ পৰা কোনো মাছ বিক্ৰি কৰা হৈছিল নে?

(ঙ) যদি হৈছিল তেন্তে মাছ বিক্ৰি কৰি পোৱা ধনৰ পৰিমাণ কিমান আছিল?

(চ) বৰ্ত্তমান ৰাৱলা পুখুৰীটো কাৰ তত্বাৱধানত আছে আৰু তাত কোনো ৰখীয়া-পৰীয়া আছে নে?

(ছ) এতিয়ামানে ৰাৱলা পুখুৰীটো পুনৰ পুনি আৰু পানীমেটেকাই ছাটি থোৱা কথাৰ সম্বেদ চৰকাৰে পায় নে?

মীনবিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ নাথ হাজৰীকাই উত্তৰ দিছে:

১১৩। (ক)—মাজুলীৰ আঞ্চলিক পঞ্চায়তে ১৯৫৮-৫৯ চনত মীন বিভাগক ৰাওনা (ৰাৱলা নহয়) পুখুৰীটো হস্তান্তৰ কৰে।

(খ)—এই পুখুৰীৰ উন্নয়নকাৰ্য্যত এতিয়ালৈকে ২,৭৩৯ টকা ব্যয় কৰা হৈছে কিন্তু পানীমেটেকা গুচোৱা কামত টকা খৰচ কৰা হোৱা নাই।

(গ)—হয়, এই পুখুৰীত এতিয়ালৈ ক ২২,০০০ টা মাছৰ পোণা এৰা হৈছে?

(ঘ)—নাই হোৱা।

(ঙ) —ওপৰৰ (ঘ-প্ৰশ্নত দিয়া উত্তৰ অনুযায়ী এই প্ৰশ্ন নুঠে।

(চ)—এই পুখুৰীটো বৰ্ত্তমান মীন বিভাগৰ তত্বাৱধানত আছে আৰু পুখুৰীটো পহৰা দিয়াৰ বাবে কৰ্ম্মচাৰী নিয়োগ কৰা হৈছে।

(ছ)—হয়, কিন্তু পানীমেটেকা গুচোৱাৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে।

শ্ৰীমহীধৰ পেগু :— মন্ত্ৰী মহোদয়ক (ক) প্ৰশ্নৰ উত্তৰ প্ৰসঙ্গত জনাব পাৰোনে যে ১৯৫৮-৫৯ চনত মাজুলি আঞ্চলিক পঞ্চায়তৰ জৰিয়তে প্ৰায় ৩২ হাজাৰ টকা খৰচ কৰি যান্ত্ৰীক ব্যৱস্থা সংযোগ কৰি পানী মেটেকা সম্পুৰ্ণ ৰূপে পৰিষ্কাৰ কৰি উঠোৱাৰ কথা মাজুলি বাসী সকলে জানে, গতিকে এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ উত্তৰটো কিয় বিসঙ্গতি পূৰ্ণ হৈছে?

শ্ৰীমহেন্দ্ৰ নাথ হাজৰীকা :— মাজুলি আঞ্চলিক পঞ্চায়তে কিমান টকা খৰচ কৰিলে সেইটো মই নাজানো, আমি নাজানো। কিন্তু আঞ্চলিক পঞ্চায়তে ১৯৫৮-৫৯ চনত পুখুৰীটো আমালৈ হস্তান্তৰ কৰে। তাৰ পাচত সেই পুখুৰীটো মেৰামত কৰিবৰ কাৰণে Tender আহ্বান কৰা হৈছিল। কিন্তু Tender নোপোৱাত একো কৰিব পৰা নাই।

শ্ৰীমহীধৰ পেগু :— (চ) প্ৰশ্নৰ উত্তৰ সম্পৰ্কত মই জানিব খুজিছো যে বৰ্ত্তমান তাৰ তত্বাবধায়ক কোন মই কব নোৱাৰো কিন্তু তাত হলে চকিদাৰ এজনো নাই। গতিকে মই এই কথা জনোৱাৰ পাচত মন্ত্ৰী মহোদয়ে কথাটো মানি লবনে?

শ্ৰীমহেন্দ্ৰ নাথ হাজৰীকাঃ— তাত মীন বিভাগে এজন Demonstrator নিয়োগ কৰিছে।

শ্ৰীমহীধৰ পেগু :— মন্ত্ৰী মহোদয়ে কৈছে নিযোগ কৰা বুলি। কিন্তু মই জনাত তাত তত্বাৱধায়কটো নায়েই আনকি এজন চকীদাৰো নাই। গতিকে চৰকাৰৰ টকা অপব্যয় যাতে নহয় তাৰ এটা তদন্ত কৰি ব্যৱস্থা কৰিব নে?

শ্ৰীমহেন্দ্ৰ নাথ হাজৰীকাঃ— কোনোবা এজন Demonstrator নিয়োগ কৰা হৈছে। কিন্তু ১৯৬৯-৭০ চনৰ পৰা বানপানী আহে আৰু পানী মেতেকা বোৰে মাছৰ পোনাও উতোৱাই লৈ যায়। কিন্তু এইটো এপ্ৰিল মাহত সম্পূৰ্ণ কৰা হব বুলি আশা কৰা হৈছে।

শ্ৰীমহীধৰ পেগু :— মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, মিনপন্নয়ত কিমান টকা খৰছ হ'ল আৰু কিমান মাছৰ পোনা অনা হৈছিল?

শ্ৰীমহেন্দ্ৰ নাথ হাজৰীকাৰঃ— ১৯৬৯-৭০ চনত বান পানী অহা বাবে পুৰ পাৰটো বুৰাই পেলাই আৰু পানী মেতেকাৰে মাছৰ পোনাও কিছু উতাই লৈ যায়। এতিয়া পানী মেতেকা গুচুৱাৰ ব্যৱস্থা কৰা হৈছে। এই বোৰ কাম সম্পূৰ্ণ হোৱাৰ পাচত মাছ বিক্ৰি কৰিলেহে কিমান টকা খৰচ হৈছে হিচাব পোৱা যাব।

শ্ৰীসোনেশ্বৰ বৰা :— এই পুখুৰীটোত আগৰ পৰাই পানী মেতেকা উঠে নে এই বছৰেই উঠিছে। যদি আগৰে পৰা হয় তেতিয়া হলে কিয় এই বছৰ ইমান টকা খৰচ কৰিছে।

শ্ৰীমহেন্দ্ৰ নাথ হাজৰীকা :— আগৰে পৰাই অলপ অলপ পানী হয়। কিন্তু এই বছৰতহে বেছি হৈছে।

**Re : Appointment of Lecturer of Statistics in Cotton College**

Shri Giasuddin Ahmed asked :

*114. Will the Chief Minister be pleased to state—

(a) Whether any post of Lecturer of Statistics in the Cotton College was advertised during the Ist Part of 1970?

(b) If so, how many applications were received and what are the names, addresses, qualifications of the candidates and their positions and percentage of marks secured in the University examinations ?

(c) Whether all of them were called for interview ? If not, why ?

Shri Mahendra Mohan Choudhury (**Chief Minister**) replied

114. (a)—Yes, one post of Lecturer of Statistics was advertised in March 1970 by the Assam Public Service Commission.

(b)—Three applications were received by the A.P.S.C. Details about the candidates are furnished in the statement placed on the Table of the House.

(c)—No. Out of the three candidates, Shri Biswajit Chakravorty and Shri Bachu Prasad Singh were called for interview by the A.P.S.C. The other candidate, viz, Shri Mir Shahadad Ali was not called for interview as he passed the B. Sc. examination without honours in Statistics and honours in degree course was a requisite qualification.

Shri Giasuddin Ahmed :- Whether the Hon'ble Chief Minister is aware that this Shri Mir Shahadad Ali have First Class First in statistics it was a gold medalist, who had secured 73.75% marks in the year 1969 from the Gauhati University and even with this qualification he was not considered fit for being called for interview ?

Shri Mahendra Mohan Choudhury : As I have said the prescribed qualification was Honours in Statistics in B.A. Course. This gentleman had a uniform brilliant career, but unfortunately due to that technical ground he was not called for interview.

Shri Giasuddin Ahmed :- Whether it is a fact that Shri Biswajit Chakravarty, who was called for interview, was only First Class Third ?

Shri Mahendra Mohan Choudhury :- Yes, Sir, he secured First Class Honours in Statistics in B.Sc in 1967 and stood First Class Shird in M. Sc. in 1969.

Shri Dulal Chandra Barua :- Do not Government consider this to be an anomalous situation ? In a particular college there may not be facilities for teaching Honours in a particular subject. I, therefore, fail to understand how a student who stood 1st in the University in M.Sc. can be deprived of his legitimate claim on merit.

Shri Mahendra Mohan Choudhury :- I fully agree with the hon.member Therefore, we have now changed the rule and made First Class M.A. or M.Sc. candidates eligible even if they did not have Honours in the B.A. or B Sc. course.

Shri Giasuddin Ahmed :- Whether the Hon'ble Chief Minister will agree that great injustice has been done to this particular candidate, Mir Shahadad Ali, and, if so, whether in future such a policy will be formulated that no such qualified candidate is deprived of his legitimate claim ?

Shri Mahendra Mohan Choudhury :- I have already said that we have changed the rules and in future I believe there will be no difficulty in recognising the merit of respective candidates.

শ্ৰীভদ্ৰকান্ত গগৈয়ে সুধিছে :

*১১৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত শিক্ষা লোৱা ছাত্ৰীসকলৰ বাবে ছাত্ৰীনিবাস (হোষ্টেল) আছে নে ?

(খ) যদি আছে, কত, আৰু এই নিবাস বিশ্ববিদ্যালয়ৰ নিজৰ নে ভাড়াঘৰ?

(গ) এই নিবাসৰ পৰা বিশ্ববিদ্যালয়ৰ দূৰত্ব কিমান?

(ঘ) যদি ভাড়াঘৰ হয়, মাহেকত কিমান টকা ভাড়া দিয়া হয়?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে:

১১৫। (ক)—হয়, আছে।

(খ)—বৰ্ত্তমান তিনিটা ছাত্ৰীনিবাস আছে আৰু এই আটাইকেইটা ভাড়াঘৰত অৱস্থিত। ইয়াৰ সম্পূৰ্ণ বিৱৰণৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে।

(গ) আৰু (ঘ)—এই দুই প্ৰশ্নোত্তৰ উপৰোক্ত প্ৰশ্নোত্তৰত উল্লেখ কৰা তালিকাখনত পোৱা যাব।

শ্ৰীভাদ্ৰেশ্বৰ গগৈয়ে সুধিছে:

*১১৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ডিব্ৰুগড় চাচনী মৌজাত মিৰিকা আৰু বামুণী নামে দুখন বিল চৰকাৰে লৈছে নেকি?

(খ) এই বিল দুখন চাফ (re-clean) কৰোতে কিমান টকা খৰচ হ'ল?

(গ) এই মৌজাত আৰু কেইখন বিল চৰকাৰে লবৰ বাবে দিহা কৰিছে?

মীন বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকাই উত্তৰ দিছে:

১১৬। (ক)—হয়।

(খ)—৫,৮০০ টকা।

(গ)—এই সম্বন্ধে এতিয়াও সিদ্ধান্ত লোৱা হোৱা নাই।

Re : **Arrest of Shri Jagneswar Das**

Shri Rothindra Nath Sen asked :

*117. Will the Chief Minister be pleased to state—

(a) On which date Shri Jagneswar Das, a veteran C.P.I. (M) leader of Karimganj was arrested and put within bars ?

(b) What are the charges against him ?

(c) If the Police could not frame any charge against him why the Government did not release him from such illegal confinement ?

(d) Why the Government had not classified this political and most respected Leader in Class 'A' during his detention ?

(e) Whether Government propose to examine his case immediately, grant him the facilities of Class 'A' Detenue and if no charge could be framed against him release him forthwith or produce him for trial ?

Shri Mahendra Mohan Choudhury **(Chief Minister)** replied :

117 (a)—On 7th May, 1970. He dose not appear to belong to the C.P.I. (M) party.

(b)—The charges against him are as defined in sections 121A/124A/ 153A of Indian Penal Code, Sec.8(B) of the Assam Maintenance of Public Order Act and Sec.4 of the Indian Explosive Act.

(c)—The case is still under investigation.

(d) & (e)—Charges against Shri Das being purely criminal

charges, it was deemed unnecessary to give facilities of a Class 'A' detenue. The question of releasing him is purely a judicial matter, and the question of trial will arise on completion of the investigation.

Shri Rothindra Nath Sen :- The Hon'ble Chief Minister has stated in reply to (c) that the case is still under investigation and in reply to (a) he said that his particular gentleman was arrested on 7th May 1970. May I know whether there is any specific policy of the Judiciary or the Police Department that within a cartain period investigations should be completed and the under-trial prisoners will at least be informed of the charges levelled againt them ?

Shri Mahendra Mohan Choudhury :- There is no time limit fixed for completion of investigations, but it is our desire that investigations should be completed as soon as possible so that the person concerned is not harassed unnecessarily.

Shri Rathindra Nath Sen :- The reply to (d) is that because he was arrested for some criminal charges he cannot get classification of detenue. May I state for the information of the Chief Minister that as many as 50 persons were arrested along with Shri Jagneswar Das for alleged Naxalite activities and one of them, viz, Shri Hari Narayan Chakravorty teacher of Karimganj Madan Mohan Girls' Higher Secondary School, was immediately given Class A distinction as an under-trial prisoner But this aged gentleman, who was a veteran nationalist, and who might or might not have turned Naxalite, was not given this status.

Shri Mahendra Mohan Choudhury :- I will look into the matter.

Shri Dulal Chandra Barua :- As the Chief Minister has stated that this gentleman was put in prison in May 1970

and it is going to be May 1971. Whether it is a fact that no specific charge could be levelled against him and the Police has not been in a position to submit any chargesheet and that this aged gentleman, who has practically retired from politics was put behind prison bars merely on suspicion? If so, what action Govrnment propose to take to stop such harassment indulged in by the Police Department?

Shri Mahendra Mohan Choudhury: There are certain specific charges against him and investigations are being conducted in several places and, I think, by different officer in charge of different police stations. This has been the cause of delay, but we shall see that investigations are completed as early as possible and if there is no charge we will release him immediately.

Shri Promode Chandra Gogoi — যিহেতু মুখ্যমন্ত্ৰীয়ে কৈছে যে ১৯৭০ চনৰ ৭ম তাৰিখে তেখেতক গ্ৰেপ্তাৰ কৰা হয়, আজি ১ বছৰ হ'লহি, তেখেতৰ বিৰুদ্ধ অভিযোগ বিলাকৰ তদন্তৰ প্ৰমাণ কৰিব পৰা নাই, গতিকে এইকথা সত্য নেকি যে প্ৰকৃতপক্ষে পুলিচে তেখতৰ বিৰুদ্ধে অনা অভিযোগ বিলাক সত্য নহয়? আৰু ৰাজনৈতিক জীৱনৰ পৰা আঁতৰ কৰাৰ কাৰণে জোৰ জুলুম কাৰ পুলিচে তেখতৰ বিৰুদ্ধে অভিযোগ তুলিছে? মুখ্য মন্ত্ৰীৰ পৰা জানিব বিছাৰিছো Criminal Case বা Murderer Case মানুহকো যেনে কাণি চাৰ আদিক Belt দিয়া হয়। কিন্তু ১ বছৰেও যিহেতু এওঁৰ অভিযোগৰ প্ৰমাণ কৰিব পৰা নাই। সেই কাৰণে তেখেতক মুক্তি দিয়াৰ বিবেচনা চৰকাৰে কৰিবনে?

Shri Mahendra Mohan Choudhury— অধ্যক্ষ মহোদয়, এই সম্পৰ্কে যথোচিত ব্যৱস্থা, সোনকালে লোৱা হব। মই আগতে জনা নাছিলো। প্ৰশ্নটোৰ উত্তৰৰ পাচতহে কথাটো গমপাইছো। গতিকে সোনকালে তেওঁক সেই ধৰণৰ Status দিয়াৰ ব্যৱস্থা কৰা হব। আচলতে নিয়ম হৈছে যিজন Magistrate Case টো decide কৰে সেইজনেহে কোন ক্লাচত কয়দীক লোৱা হব নিৰ্দ্ধাৰণ কৰি দিয়ে। এই বিষয়ত কিছু আসোঁৱাহ আছে। আচলতে Bell ৰ কাৰণে Guardian বা relationes চৰকাৰৰ ওচৰত appeal কৰিব লাগে। সেই

কাৰণে কথাটো এতিয়া জানিছো যেতিয়া সোনকালে ব্যৱস্থা লোৱা হব। তেওঁৰ বিৰুদ্ধে অভিযোগ নথকা নহয়। কেইবাটাও অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। এতিয়া তথ্য আদি সংগ্ৰহ কৰি আছে। বিশেষ ব্যৱস্থা লবলৈ মই Inspector General ক কৈ দিম।

Shri Rathindra Nath Sen : Sir, for the information of the Hon' ble Member Shri Barua, Shri Jagneswar Das has not retired from politics. I now most humble appeal to the Hon'ble Chief Minister that in view of the age of the gentleman and in view of the fact that he is a under trial prisoner right today his case should be referred to the District authority or to the Karimganj Subdivisional authority since he is now in Karimganj Jail, so that he is given the benefit of a Class 'A' detenue.

Shri Mahendra Mohan Choudhury: Sir, I shall look into it.

### Re : Kumarikata Out-Post

Shri Maneswar Boro asked :

*118. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that a plot of land has been allotted in the name of Kumarikata out-post for construction of its office buildings and quarters ?

(b) If so, what is the total area of land so allotted ?

(c) Whether plans and estimates of the office buildings and quarters have been submitted to the Government ?

(d) If so, what is the estimated amount and the amounts which have been sanctioned for construction of its office building and quarter ?

(e) When the construction of the office buildings and quarters will be started and expected to be completed?

Shri Mahendra Mohan Choudhury (Chief Minister) replied:

118. (a) & (b)—An area measuring 6 kathas 4 lochas has been taken possession of by the Police Department on 15th September 1969 for the Out-Post. A better plot of land on the main road measuring 4 bighas is proposed to be obtained in lieu of the former plot.

(c)—No. Public Works Department is yet to be asked for preparation of plans and estimates for construction of the Out-Post with staff quarters as soon as the suitable land is formally handed over to the Police Department.

(d)—Does not arise in view of (c) above.

(e)—As soon as the plans and estimates are submitted and fund is made available for the purpose in the Budget.

Shri Moneswar Boro :—কুমৰিকাটা থানাখন ভাড়াঘৰত থকাটো সচানেকি ? যদি সচা এতিয়ালৈকে ভাড়াঘৰত কিমান টকা খৰছ কৰিলে ?

Shri Mahendra Mohan Choudhury :— ভাড়াঘৰত থকা কথাটো সচা। মাহেকত ৫৮.০০ টকা কৈ ভাড়া দিয়া হয়।

Shri Moneswar Boro :— সৰ্ব্বমুঠ কিমান টকা খৰছ কৰিলে ?

Shri Mahendra Mohan Choudhury :— ৩০।৭।৬৩ চনৰ পৰা এই Out post টো আৰম্ভ কৰা হৈছে। তেতিয়াৰ পৰা ভাড়াঘৰতে আছে। ঘৰটোৰ ভাড়া মাহেকত ৫৮.০০ টকা।

Shri Moneswar Bora:—কুমৰিকাটা area টোক বোৰ্ডাৰ area বুলি ধৰা হয়নে নহয় ? যদি হয় চৰকাৰে এই Out Post টোক প্ৰাধান্য দিব নে ?

Shri Mahendra Mohan Choudhury:— প্ৰাধান্য থকা কাৰণেই এই Out Post টো চলাই থকা হৈছে।

Shri Prabhat Narayan Choudhury: ভূটান সীমান্তত এই কুমাৰিকাটা Out post টো আত দৰ্কাৰী গতিকে চৰকাৰে Plan & Estimate কৰি সোনকালে এই Out post উন্নতিকৰাৰ ব্যৱস্থা কৰিব নে?

Shri Mahendra Mohan Choudhury: দেৰী হোৱাৰ কাৰণ কওঁ যে এই পুলিচ Out post ৰ কাৰণে ৬ কঠা ৪ লেছা মাটি লোৱা হৈছিল। এই মাটি খিনি Out post টো তথা অফিচাৰৰ ঘৰ আদিৰ কাৰণে যথেষ্ট নহয়। সেই কাৰণে Main ৰাষ্টাৰ ওচৰতে ৪ বিঘা মাটি লোৱা হৈছে আৰু সোনকালে কাম আৰম্ভ কৰা হব।

Shri Moneswar Boro: ৰাষ্টাটোৰ পূবে নে পশ্চিমে।

Shri Mahendra Mohan Choudhury মই খবৰ লৈ জনাম।

**Re: Assistaant Inspector of Schools for Lungleh and Saiha Subdivisions**

Shri Lalchunga Cninzah asked:

*119. Will the Minister-in-charge of Education be pleased to state—

(a) Whether there is a demand for creation of the post of Assistant Inspector of Schools for Lungleh and Saiha Subdivisions?

(b) If so, When the post will be created?

(c) If not, why not?

Shri Sarat Chandra Goswami (Minister of State for Education) replied:

Shri Pitsing Konwar : Sir, may I know from the hon' Minister whether there is any plan for construction of sluice gate in the original plans and estimates in between Ahatguri and Dharamtul ?

Shri Syed Ahmed Ali :— In the original plan and estimate, there was no plan for construction of sluice gate. After observing two or three years, of the soil of the fund actual plan and estimate for construction of sluice gate is generally made.

Shri Atul Chandra Goswami :—এই Sluice gate নথকাৰ ফলত খেতি পথাৰ বোৰত উৎপাদনৰ মাত্ৰা কমি আহিব পাৰে এই বিষয়ে চৰকাৰে জানিছিল নেকি ? এই Sluice gate দিলে উৎপাদন বৃদ্ধি হব বুলি যদি চৰকাৰে ভাবে তেনেস্থলত সোনকালেই এই Sluice gate দিয়াৰ ব্যৱস্থা হবনে ?

Shri Syed Ahmed Ali :—বানপানীয়ে খেতি পথাৰ নষ্ট কৰে কিন্তু sluice gate দিলে খেতি বাতিৰ উপকাৰ হব কিন্তু টকা পইচাৰ ব্যৱস্থা হলেহে লব পাৰিম বৰ্ত্তমান এইটো বিবেচনা কৰি আছো এই sluice gate সোনকালেই। কৰি দিয়া হব।

Shri Kabir chandra Ray Pradhani:—ইয়াৰ জৰিয়তে কেৱল ঠিকাদাৰক টকা দিয়াৰ হে ব্যৱস্থা কৰিছে নেকি ? কিন্তু খেতি পথাৰত পানী দিয়াৰ কোনো ব্যৱস্থা হোৱা নাই বৰং বানপানীৰ জৰিয়তে পানী সোমাই খেতিহে নষ্ট কৰিছে। বিভাগে এই Sluice gate মাথাউৰী আদি মেৰামতি কৰোতে খেতিপথাৰত পানী যাবনে নাযায় ইত্যাদি সুবিধা অসুবিধা চাই চিন্তি কৰে নে নকৰে ?

Shri Syed Ahmed Ali :—পানী বাগৰি আহিব পাৰিব নে নোৱাৰে আৰু খেতি পথাৰত পানী যোগানৰ সুবিধা হব নে নহয় ইত্যাদি সকলো বোৰ observe কৰিহে Sluice gate ইত্যাদি দিয়া হয়।

Shri Pitsing Konwar :—এই প্ৰশ্নতুলিছো এই কাৰণে যে খেতি পথাৰত চৰাই চিৰিকতিবোৰে ধান খাই নষ্ট কৰে আৰু তাত পানী গোট খাই থাকে। সেই কাৰণে আমি sluice gate বিছাৰো

Shri Syed Ahed Ali :— এতিয়া আমি এইটো estimate কৰিছো ; আমাক ২ টাকৈ sluice gate দৰকাৰ এনেস্থলত প্ৰায় ৮ লাখ টকা estimate কৰা হৈছে, বৰ্ত্তমান টকা নহ'লে এই বিষয়ত আগবঢ়াটো টান।

Shri Giasuddin Ahmed:—মই এটা supplementary কৰিব বিচাৰিছো, সেইটো হ'ল মঠাউৰী বন্ধাৰ ক্ষেত্ৰত কোন ঠাইত খেতিপথাৰৰ ক্ষতি কৰিব আৰু কোন ঠাই উপকৃত হব সেই বিষয়ে কৃষি বিভাগে ভাল দৰে কব পাৰিব গতিকে মাঠাউৰী বন্ধা ক্ষেত্ৰত কৃষি বিভাগৰ লগত সমন্বয় ৰাখি আলাপ আলোচনা কৰি কামত আগবঢ়া হয় নে নহয় ?

Shri Syed Ahmed Ali :— কৃষি বিভাগৰ লগত আলোচনা কৰিহে কৰা হয়।

Shri Kamini Mohan Sarma :—মাঠাউৰী বন্ধা ক্ষেত্ৰত বহুতো কেলেঙ্কাৰী দেখা যায় যেনে ৰঙিয়া সমষ্টিৰ ভিতৰত পুথিমাৰী মঠাউৰীত যি বান্ধ দিয়া হ'ল তাৰ মাজত দেখা যায় ৩ মাইল Gap ৰখা হ'ল, এই Gap ৰখাৰ কাৰণে সেই ফালেদি পানী সোমাই খেতিবাতি নষ্ট কৰাৰ লগতে বান্ধ বিলাক ভাঙি যায় গতিকে মই জানিব বিচাৰো যে এতিয়া যিবিলাক মঠাউৰী বন্ধা হব সেই বিলাক সম্পূৰ্ণ সজা হব নে Gap ৰখা হব ?

Shri Syed Ahmed Ali :— মঠাউৰী বিলাক phase way ত কাম হয়; অৱশ্যে মাজে মাজে Gap আছে, সেইবিলাক সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হ'ব।

## Re : Institution of Police Commission,

Shri Dulal Chandra Barua asked :

*123. Will the Chief Minister be pleased to state –

(a) Whether the Government of Assam has instituted a Police. Commission to go into the working of the present Police Administration in the State of Assam and to suggest measures for its improvement ?

(b) If so, whether any recommendations have been submitted by the Commission ?

(c) If not why there is so much delay ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) replied :

123. (a)—Yes.

(b) Yes. Final report was submitted on 26th March 1971 in addition to two interim report submitted earlier.

(c) Does not arise.

Shri Dulal Chandra Barua : Sir, may I know from the hon'ble Minister the Government propose to place the report during this budget Session ?

Shri Mahendra Mohan Choudhury, Chief Minister : I will see.

Shri Dulal Chandra Barua . Sir, may I know what is the expenditure incurred for the Commission ?

Shri Mahendra Mohan Choudhury, Chief Minister : I will supply the figure later on.

### কামেশ্বৰ বৰুৱাৰ মৃত্যু

শ্ৰীশৰৎ চন্দ্ৰ ৰাভাই সুধিছে :

*১২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) কামেশ্বৰ বৰুৱা নামৰ পুলিচ চাবইন্সপেক্টৰ এজনৰ পাক-ভাৰত সীমান্তৰ ডাউকী চকীত কৰ্ত্তব্যৰত অৱস্থাত ২২-১১-৭০ ইং তাৰিখে মৃত্য হোৱা কথাটো সঁচা নে ?

(খ) যদি হৈছে তেনেহলে তেখেতৰ মৃতদেহ পোষ্ট মৰ্টেম কৰা হৈছে নে আৰু যদি পোষ্টমৰ্টেম কৰা হৈছে তেনেহলে তাৰ ৰিপোৰ্ট কি, অনুগ্ৰহ কৰি জনাব নে ?

(গ) উক্ত বৰুৱাৰ ৰহস্যজনক মৃত্যুৰ বিষয়ে চৰকাৰৰ ফালৰ পৰা তদন্ত কৰা হৈছেনে আৰু যদি হৈছে তেনেহলে তদন্তৰ ৰিপোৰ্ট কি, জনাব নে?

(ঘ) যদি তদন্ত কৰা নাই তেনেহলে শীঘ্ৰে তদন্ত কৰিব নে?

(ঙ) উক্ত বৰুৱাৰ পৰিবাৰক বা পৰিয়ালক তেওঁৰ ৰহস্যজনক মৃত্যু সম্পৰ্কে সঠিকভাৱে জনাই তেওঁলোকৰ ভৰণ-পোষণৰ আৰ্থিক দায়িত্ব লব নে?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে:

১২৪। (ক)—সঁচা।

(খ) আৰু (গ) হয়। পোষ্ট মৰ্টেম ৰিপোৰ্ট মতে অত্যাধিক সুৰাপানৰ ফলত কামেশ্বৰ বৰুৱাৰ মৃত্যু হয় বুলি জনা গৈছে। কামেশ্বৰ বৰুৱাৰ মৃত্যুৰ লগে লগেই ডাউকী থানাত অস্বাভাবিক মৃত্যুৰ পঞ্জী নিবন্ধন কৰি তদন্ত আৰম্ভ কৰা হয়। কিন্তু কলিকতাৰ পৰা ৰাসায়নিক বিশেষজ্ঞৰ প্ৰতিবেদনখন আহি নোপোৱাৰ কাৰণে এতিয়ালৈকে তদন্ত সম্পূৰ্ণ হোৱা নাই।

(ঘ)—প্ৰশ্ন নুঠে।

(ঙ)—কামেশ্বৰ বৰুৱাৰ মৃত্যুৰ খবৰ ২৩-১১-৭০ ইং তাৰিখে তেওঁৰ পৰিবাৰলৈ পঠোৱা হয় আৰু তদন্ত সম্পূৰ্ণ হলে মৃত্যুৰ প্ৰকৃত কাৰণ জনোৱা হব। মৃত বৰুৱাৰ পৰিয়ালৰ ভৰণ-পোষণৰ সম্পৰ্কত তেওঁৰ পেঞ্চনৰ কাৰণে সংশ্লিষ্ট নথি-পত্ৰ অসমৰ মহা গাণনিকৰ কাৰ্য্যালয়লৈ অলপতে পঠোৱা হয়।

শ্ৰীশৈলেন মেধি: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে কামেশ্বৰ বৰুৱা নামৰ পুলিচ চাব ইন্সপেক্টৰ জনৰ পাক-ভাৰত সীমান্তৰ ডাউকী চকীত কৰ্ত্তব্যৰত অৱস্থাত ২২-১১-৭০ তাৰিখে মৃত্যু হৈছে। যদি কৰ্ত্তব্যৰত অৱস্থাতে আছিল তেন্তে সুৰাপান কৰিবলৈ কেনেকৈ পালে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী: সেইটো হব পাৰে। তেখেতে তাত তদন্ত কৰিবৰ কাৰণে গৈছিল আৰু তেখেতৰ তাত বন্ধু আছে তাতে অতিৰিক্ত মদ পান কৰাৰ ফলতে মৃত্যু হৈছে।

119. (a) —Yes.

(b) —The matter is under consideration of the Government.

(c)—Does not arise.

Shri L. Chinzah : Sir, when the matter will be decided since the mattar has been long pending ?

Shri Sarat Chandra Goswami: The matter has not been a long pending one. Only in the last part of 1970 representation was received by Government and it is now under the consideration of the Government.

Shri Giasuddin Ahmed : May I know for how long this is pending after active consideration of the Government ?
Shri Sarat Chandra Goswami: Not for vary long, Sir.

Shri Prabhat Narayan Choudhury : চাইহা আক লুংলৰ দৰে দূৰত থকা এলেকা বোৰতো এনেকৈ এচিষ্টেট ইনপেক্টৰ দিয়াৰ কথা চৰকাৰে কৰিবনে ?

Shri Sarat Chandra Goswami : —এই প্ৰশ্নটো নাহে ।

Shri L. Chinzah : Sir may I point out one thing — I have been here for the last 2 years and my name has been misprinted here in the Question Book.

### Re : Sub-Deputy Circle Office at Sarupathar

Shri Narendra Nath Sarma asked :
*120. Will the Minister-in-charge of Revenue be pleased to state—

(a) Whether it is a fact that Government has proposed to establish a Sub-Deputy Circle or Settlement Office at Sarupathar ?

(b) If so, when it will be created?

Shri Biswadev Sarma (Minister, Revenue) replied:

120. (a) Yes, there is a proposal for creation of a Circle Office in Golaghat Subdivision with Headquarters at Sarupathar.

(b) The proposal is still under consideartion of Government and a final decision will be arrived at soon.

Shri Prabhat Narayan Choudhury :— এই ব্যৱস্থাটো কিমান দিনৰ পৰা লোৱা হৈছে আৰু ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা অনতিপলমে লোৱা হ'বনে ?

Shri Biswadev Sarma :— এই ব্যৱস্থাটো ৩০-১২-৬৯ তাৰিখে দিছিল। Director of Land Record য়ে Golaghat, সৰুপথাৰ আঞ্চলিক পঞ্চায়তৰ সৰুপথাৰ, বৰপথাৰ আৰু মৰমীত এই cricle টো কৰা কথা কৈছে। এতিয়া এই বিষয়ে আমি Deputy Commissionar লৈ লিখাত তেখেতে কেৱল ২টা মৌজা লয় আৰু মৰমীৰ কাৰণে extend কৰিবলৈ কৈছে, সেইকাৰণে মই "On 28.5.70, the views of the Panchayat and Community Development Department as to whether the Sarupathar Circle can the created with two Mouzas viz. Sarupathar and Barpathar were sought for, but have not been received. After getting their views in this regard, a final dicision may be taken.

Shri Prabhat Narayan Choudhury :— বহামেলা ঠাইৰ অসুবিধা হোৱাৰ কাৰণে বৰ্ত্তমান Circle Office ত কাম কাজৰ কাৰণে যথেষ্ট বেমেজালী হৈছে, মঞ্জুৰী পোৱাৰ পিছত নতুন ঠাইলৈ Office স্থানান্তৰিত কৰাৰ ব্যৱস্থা কৰিবনে ?

Shri Biswadev Sarma :— কিমান জৰুৰী সেই বিষয়ে চাই চিঠি বেলেগ ঠাইলৈ নিয়াৰ বাবে বিবেচনা কৰা হব।

মথাউৰি ৰাস্তালৈ ৰূপান্তৰ

শ্ৰীপিটসিং কোঁৱৰে সুধিছে :

*১২১। মাননীয় বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) নগাওঁ জিলাৰ কলং নদীৰ উত্তৰ পাৰে জাগীয়ালৰ পৰা ৰহালৈকে উত্তৰ পাৰৰ মাথাউৰিটো বান্ধ ও ৰাস্তালৈ ৰূপান্তৰিত কৰিবৰ বাবে চৰকাৰে কাম হাতত লোৱাটো সত্য নে?

(খ) যদি প্ৰশ্নটোৰ উত্তৰ সত্য বুলি মানি লোৱা হয়, তেনেহলে চৰকাৰে উক্ত মথাউৰিটোৰ বাকী খণ্ড যেনে ৰহাৰ পৰা পাত্ৰবড়িলৈ লোৱাৰ কথা আৰু আৱশ্যকীয় উন্নয়নৰ কাম হাতত লবৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব নে?

(গ) এই মথাউৰিটো ৰাস্তালৈ ৰূপান্তৰিত নকৰাৰ কাৰণে সেই অঞ্চলৰ লোক-সকলে নানা আলৈ-আহুকাল ভোগ কৰিবলগীয়া হৈছে, এই কথা চৰকাৰে জানে নে?

(ঘ) যদি জানে, সেই আলৈ-আহুকাল দূৰ কৰিবৰ বাবে চৰকাৰে মাথাউৰিটো ৰাস্তালৈ ৰূপান্তৰিত কৰিব নে?

বান-নিয়ন্ত্ৰণ ৰিভাগৰ ৰাজ্যিক মন্ত্ৰী চৈয়দ আহমদ আলিয়ে উত্তৰ দিছে :

১২১। (ক)—হয়।

(খ)—বৰ্ত্তমান ব্ৰহ্মপুত্ৰ আয়োগৰ ধনৰ বৰ নাটনি। আঁচনিটো লব পৰা হব যদিহে যথেষ্ট ধনৰ মঞ্জুৰী পোৱা যায়।

(গ)—তেনেকুৱা কোনো খবৰ এতিয়ালৈকে পোৱা নাই।

(ঘ)—প্ৰশ্নটোৰ উত্তৰ ওপৰৰ (খ)-ত দিয়া হৈছে।

শ্ৰীপিটসিং কোঁৱৰ :— Sir, Roha ৰ পৰা জাগৰীয়াললৈ - দূৰত্ব কিমান আৰু এই মঠাউৰীটো ৰূপান্তৰিত কৰিবলৈ হলে কিমান টকাৰ আৱশ্যক হব?

শ্ৰীচৈয়দ আহমদ আলি :— ইয়াৰ দূৰত্ব প্ৰায় ১৬ কিলোমিটাৰ হব। এইটো Local Bord ৰ ৰাস্তাত আছিল ; annual repair ৰ পৰাই মাজে সময়ে এই ৰাস্তাত শিল গুটি দিয়া হয়, ৰাস্তাটো ভালকৈ Gravel কৰিবলৈ হলে বহু টকাৰ প্ৰয়োজন হব। আৱশ্যকীয় টকাৰ ব্যৱস্থা হলে এই বিষয়ে বিবেচনা কৰিম।

শ্ৰীপিটসিং কোঁৱৰ ঃ— ব্ৰহ্মপুত্ৰ কমিশ্যনৰ টকাৰ মঞ্জুৰী পালে এই মাঠাউৰীটো ৰাস্তালৈ ৰূপান্তৰিত কৰিবলৈ বিবেচনা কৰিবনে ?

শ্ৰীচৈয়দ আহমেদ আলি :— বিবেচনা কৰি আছো।

## Re : Construction of Sluice Gates

Shri Pitsing Konwar asked :

*122. Will the Minister-in-charge of Flood Control and Irrigation be pleased to state—

(a) Whether the Government is aware that no sluice gates have been provided on bund constructed on the sourthern bank of Kopili river in between Ahatguri and Dharamtul for which people have to cut indyke for harvesting their paddy at harvesting time ?

(b) Whether it is a fact that the people of that area have approached the Government for more than once for providing a sluice gate on the aforesaid bund ?

(c) What are the reasons for making delay in providing this sluice gate ?

Shri Sayed Ahmed Ali (Minister of State for Flood Control and Irrigation) replied :

122. (a)—No sluice gate has been constructed so far along the left bank of Kopili river from Ahatguri to Dharamtul.

(b)—Yes.

(c)—The delay is due to tight financial position.

শ্ৰীতুলাৰাম চন্দ্ৰ বৰুৱা : এই কথাটো সচাঁনে যে, কামেশ্বৰ বৰুৱা আৰু অন্য এজন S. I. ৰ লগত কিছুমান বস্তু বাহানি লৈ কঢ়া আজোৱা হৈছিল ? Survey of India ৰ পৰা যিটো খবৰ পোৱা হৈছে তাৰ পৰা জনা যায় যে, তেওঁৰ মৃত্যুৰ পাছত বস্তুবিলাক পোৱা হোৱা নাই আৰু এই বস্তু সম্পৰ্কে ২২ তাং ৰাতি কঢ়া আজোৱা লাগিছিল আৰু তেওঁৰ শৰীৰত বুলেটৰ ডাগ থকা কথাটো চৰকাৰে জানে নে ?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : সেই বিলাক খবৰ আমাৰ হাতত নাই। (এখন প্ৰতিবেদন পঢ়ি) Sub-Inspector Kameswar Barua was enlised as an Unarmed Branch Constable in Goalpara District Executive Force on 12.12.1950 and subsequently promoted to officiate as Sub-Inspector with effect from 26.9.62 and was posted to Darrang D.S.B. He joined S.B., Headquarter on 1.4.1965 and then posted to Nagaland Border with effect from 22.4.1966. He availed 77 days earned leave with effect from 17.1.1968. On his resuming duty at S.B., Headquarter he was posted to U K and J Hills D.S.B. with effect from 4.4.1968. He was subsequently posted to Dawki Pak Check post on 11.11.1968 as Sub-Inspector, Photography Section.

Since his joining he did not take his family to Dawki. He was found to be habitually drunk while he was at Dawki. It was in the year 1969 that he engaged Ka Idino, a local girl of Dawki as a maid and later kept here as his concubine. This Ka Idino stayed with Kameswar Barua for about a year and he maintained her with food, clothing, money etc. He had also his legally married wife with children at Agia under Goalpara Police Station and and he used to send money for maintenace of his family there also. Due to heavy expenditure at Dawki and at Agia he had no other alternative but to borrow money from every where from the local public as well as from his own Constables. During enquiry it was revealed that Sub-Inspector Barua left the following amount unpaid.

1. Krishna Prasad Das of Dawki : Rs. 193.79 p due for taking articles of daily necessit on credit.

2 M/S Chitta Ranjan Paul : Rs.60/-for making garments on credit.

3. Constable Lakhi Kakati : Rs.40/-reported to be taken as loan.

4. Constable Guna Kanta Gohain : Rs. 159·00 Pay of the Constable for the month of Oct/70 reported to be drawn by Kameswar Barua himself.

5.U. Tinner Khonglow of Pynursola : 500.00

Shri Kameswar Barua used to take country liquor from one U. Khendro Kherboing at Dawki on credit. He had to give his Transistor Radio to Khendro Kherbodong at Rs. 160/— as a repayment of the price of liquor taken on credit.

On check no Govt. property was found missing from the Photography Unit of the P.C.P. It will appear that two gold rings were not found either on the person of deceased Sub-Inspector or along with his other personal properties. Police did not find any Radio set Regd. No. 93478 Bush ETR 142 Chasis No. 108179018 Barabazar, Shillong in the house occupied by late Barua.

There was allegation that there was fight between Sub-Inspector Kameswar Barua and Sub Inspectot B.L. Roy Incharge of the Check Post, Dawki. On enquiry it was revealed that on 16.6.70 at about 4.30 P.M. Sub-Inspector Barua along with Ka Edina and other Khasi woman returned from Shillong being heavily drunk and he abused the family members of Sub-Inspector B.L. Roy in

filthy languages. The matter was brought to the notice of superior officers by Sub-Inspector B.L. Roy. There is no corroboration to the allegation that Sub-Inspector B.L. Roy threatened to kill him. It is also not a fact that both the Sub-Inspector were placed under suspension in this connection.

The S.P. K & J Hills was out on tour on 23.11.70, but he did not leave for Dawki to bring the dead body of late Kameswar Barua.

It is just a co-incidence that Kameswar Barua of Dawki check post died on 22.11.70 immediately after alleged theft and smuggling of restricted map and document, from the Survey of India office, Shillong on 21.11.70 The death of Kameswar Barua does not appear to have been anyway connected with the alleged smuggling of secret documents etc. As regards the payment of family pension and other relieves it may be stated that the widow of the deceased Sub-Inspector Kameswar Barua has already been granted an advance ( equal to 2 months pay ) as immediate relief. All dues except General Provident Fund deposit have since been paid to the widow. The General Provident Fund deposit will be paid to her on receipt of the authority from the A.G. Assam.

Regarding family pension it may be stated that on scrutiny of the pension papers for sending to the A.G. Assam it was found that there were certain ommissions ( i. e. one signature of the widow, Photograph and Thumb impressions) and a special messanger had been sent by the S.P. to contact the widow personally and obtain the same. On receipt of these pension papers will be sent to the A.G. immediately.

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা : সুৰাপান কৰিয়েই যদি মৃত্যু হৈছে তেনেহলে বুলেটৰ দাগ শৰীৰত কৈনেকৈ থাকিব পাৰে ?

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী : Doctor's Report ত বন্দুকৰ গুলিৰ কথা নাই। অত্যাধিক সুৰাপানৰ বাবে মৃত্যু ঘটা কথাহে কৈছে।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা : Police ৰ Report মতে এইটো স্বাভাৱিক মৃত্যু হৈছে। আৰু মৃতদেহ ডাউকীৰ পৰা শিলঙলৈ আনি পষ্ট মৰ্টেম কৰা হৈছে। Report বিচৰাত জনা গল যে Report কপি আৰু কৰবালৈ পঠিয়াইছে। গতিকে এই কথাৰ ৰহস্য আছে আৰু তাক ঢাকিবলৈ বিচাৰিছে। মই মুখ্য মন্ত্ৰীক অনুৰোধ কৰিছো যে এই ঘটনাৰ তদন্ত কৰিব লাগে। কাৰণ এজন উচ্চপদস্থ কৰ্ম্মচাৰীক যেনে S.P. নাইবা I.G.P. ক তেওঁৰ মৃত্যুৰ Report জনাব লাগে কিন্তু সেইটো জনোৱা নাই। গতিকে ইয়াৰ তদন্ত সোনকালে কৰিব লাগে।

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী : আমাৰ খবৰ মতে ২২-১১-৭০ তাৰিখে মৃত্যু হৈছে আৰু ২২-১১-৭০ তাং পৰিবাৰলৈ খবৰ পঠোৱা হৈছে।

শ্ৰীশৰৎ চন্দ্ৰ ৰাভা : শ্ৰীকামেশ্বৰ বৰুৱাৰ মৃত্যুৰ খবৰটো পাই যেতিয়া S. P. ডাউকীলৈ যায়, তাৰ আগতেই মৃতদেহ শিলঙলৈ অনা কথাটো সঁচানে ?

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী : মৃতদেহ সোনকালে অনা হৈছে।

শ্ৰীশৈলেন মেধি : ইয়াতে এটা প্ৰশ্ন উঠে যে, তেখেতৰ পৰিবাৰক শ্ৰীবৰুৱাৰ কোনো বস্তুৱেই ঘূৰাই দিয়া হোৱা নাই। তেখেতে কৈছে যে, শ্ৰীবৰুৱাই হয়তো কিছু অভিযোগ লিখি ৰাখিব পাৰে। কাৰণ জীৱিত অৱস্থাতে তেখেতলৈ দিয়া চিঠিত এটা ভয় আৰু মৃত্যুৰো আশংকা প্ৰকাশ কৰিছিল। গতিকে এই কথটোৰ তদন্ত কৰিবনে ?

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী : সেইটো তদন্ত কৰা হব।

শ্ৰীশৰৎ চন্দ্ৰ ৰাভা : ডাউকীত থাকোতে শ্ৰীৰবাক Suspend কৰাৰ কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীমহেন্দ্ৰমোহন : চৌধুৰী Suspenson ৰ কথা ইয়াত নাই। সদনৰ আৰু অধ্যক্ষ মহোদয়ৰ অনুমতি পালে মই Report টো পঢ়ি দিছোৱেই।

শ্ৰীশৰৎ চন্দ্ৰ ৰাভা : কামেশ্বৰ বৰুৱাই নৱেম্বৰ ২০ তাৰিখে ছুটিৰ কাৰণে দৰ্খাস্ত

দি ঘৰলৈ আহিছিল। তেওঁ G. P. Fund ৰ পৰা ৫০০৲ টকা উলিয়ালে; কিন্তু তেওঁৰ বিধবা পত্নীয়ে টকাখিনি নাপালে—এই টকাখিনি কি হ'ল ?

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী : ছাৰ, গোটেইখিনি ঘটনাৰ কথা মই পঢ়িয়েই দিলোঁ।

শ্ৰীগিয়াচুদ্দিন আহমদ : তেখেতে G. P. Fund ৰ পৰা টকাখিনি উলিয়াইছিল, সেইটো কথা Report ত নাই। গতিকে তদন্ত কৰি জনাব নে ?

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী : সেইটো খবৰ কৰি চোৱা হব।

**Re: Representation submitted by the Flood-affected People**

Shri Premodhar Bora asked :

*125. Will the Minister-in-charge of Revenue be pleased to state—

(a) Whether a representation had been submitted to the then Revenue Minister (now Chief Minister) by the flood and erosion-affected Mishing tribe of Bodati, Batumchuk, Dunaguri, Barbil and Jamuguri Panchayat in Bihpuria circle ?

(b) Whether it is a fact that the Chief Minister has been pleased to make an enquiry to this effect through Subdivisional Officer, North Lakhimpur ?

(c) Whether it is a fact in view of the pressing demand by the unfortunate landless families a deputation had waited upon the State Revenue Minister at Shillong who was sympathetic to visit the affected areas with his Revenue staff ?

(d) Whether it is also a fact that the State Revenue Minister had visited the erosion-affected area of Bodati, Batumchuk, Jamuguri and assured all possible help for early shifting of these eroded families to some safer places ?

(e) If so how long Government will take for rehabilitation of these unfortunate eroded tribal families ?

Shri Biswadev Sarma (Minister, Revenue) replied :

125. (a)—Yes.

(b)—Yes.

(c) - Yes.

(d)—Yes.

(e)—The Subdivisional Officer, North Lakhimpur and Settlement Officer, Dibrugarh have already been directed to take steps for their rehabilitation in Ranga Reserved Forest.

Shri Premadhar Bora : In view of the fact that the people living in the areas between the Brahmaputra Dyke on the one side and Subansiri on the other are faced with untold misery, will Govt., take immediate steps for the rehabilitation of these people ?

Shri Biswadev Sarma : Yes Sir, and that is why the officers concerned have been asked to rehabilitate them in the Ranga Reserve Forest as soon as possible.

Shri Mohidhar Pegu : অধ্যক্ষ মহোদয়, হঠাতে মাটি ভেটি হাৰা কৰা সকলক উদ্বাস্তু বুলি ধৰি সুস্থ আৰু সৰস পোনপতীয়া আচনি লৈ চৰকাৰে পুনৰ বাসন দিয়াৰ কাৰণে কি প্ৰকল্প কৰিছে ?

Shri Biswadev Sarma : এনেকুৱা লোক সকলক তৎক্ষণাৎ Home Standing ৰ কাৰণে মাটি দিয়া হৈছে আৰু Provision অনুসৰি সাহাৰ্য্য দিয়া হৈছে ।

Shri Premadhar Bora : Whether Government is aware of the fact that finding no other alternative these flood affected

people are voluntarily proposing to relinquish their land in exchange of some other land ?

Shri Biswadev Sarma :— That information is not with me now. What I find is that the State Minister, Revenue himself visited the area along with the hon. questioner and then the local officers were instructed to give them land in the Ranga Reserve Forest. I shall find out whether the settlement has been given or not.

**Re : Meeting of the Executive Council of the Federation of State Government Employees**

Shri Dulal Chandra Barua asked :

*126. Will the Chief Minister be pleased to state—

(a) Whether the Government is aware of the fact that the Executive Committee of the Federation of the State Government Employees meet in Delhi on 6th December 1970 last decided for a general strike ?

(b) If so, when the strike is proposed to be observed ?

(c) What are common demands of the State Government Employees ?

(d) Whether the State Government Employees of Assam proposes to join in the said All-India strike ?

(e) If so, what are their grievances ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied :

126. (a)—Government are not aware of the fact.

(b)—Does not arise.

(c)—Does not arise, as the demands of the Executive Committee of the Federation of the State Government Employees are not known.

(d)—Government are not aware of the fact.

(e)—Does not arise.

Shri Dulal Chandra Barua : At the time of negotiation with the All Assam Ministerial Association the Members of the State Co-ordination Committee were also present when the discussion took place at Gauhati. May I know whether they have pointed out their grievances and if so, what are their grievances ?

Shri Mahendra Mohan Choudhury : They met me at Shillong. I do not remember whether they mentioned about the Federation of the State Government Employees.

Shri Dulal Chandra Barua : Whether all the demands of the State Govt., Ministerial officers have been conceded ?

Shri Mahendra Mohan Choudhury :—No. Some of their demands have been fulfilled and some are under consideration.

Shri Dulal Chandra Barua : May I know what are those demands that have been fulfil'ed ?

Shri Mahendra Mohan Chaudhury :— It is not with me now.

## মাটিয়া চাৰ্কোল অফিচ

শ্ৰীবিনয়কৃষ্ণ ঘোষে সুধিছে :

*১২৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) মাটিয়া চাৰ্কোল অফিচৰ বাবে কোনো ঘৰ ভাৰা কৰা হৈছে নেকি আৰু যদি হৈছে তেন্তে সেই ঘৰৰ মাহে ভাৰা কিমান ?

(খ) কিমান দিন মাটিয়া অফিচ ভাৰা-ঘৰত থাকিব ?

Shri Biswanath **Upadhaya**—In Hindi

"In this suit there is **no** necessity for us to go into the title of the company. The title of the company is admitted. There is no paper to prove tenancy in favour of the defendants. The question of the suit being barred by limitation does not arise as the defendants admit the plaintiff s title. The difficulty in this case is that the plaintiff is not sure whether the defendants are licensees or trespassers. If they are licensees the suit as it has been framed is bad. If they tresspassers it was the duty of the plaintiff to show when and in what manner the trespass took place. when admittedly the defendants have separate cultivation and when admittedly they possess land separately in specific plots the plaintiff ought to have shown on which particular date each particular trespass took place. To bring one suit to eject all the defendants in the way it is sought to be done has been ill advised. The suit land itself is vague as the plaintiff does not know what is its exact area.

Under all the circumstances I allow the appeal and set aside the judgment and decree of the learned Subordinate Judge on contest with cost. The original suit stands dismissed on contest with cost."

Shri Kabin Chandra Ray Pradhani : উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্রী মহোদয়ের বাজেট বক্তৃতা শুনে আমি সন্তুষ্ট হতে পারিনি। শুধু তাই নয় আসামের সমগ্র জন সাধারণেও বিত্তমন্ত্রী মহোদয় তিনির বাজেটের আওতীয় আনতে পারেন নি। তাই আমি অত্যন্ত দুঃখের সংগে বলছি যে গ্রামাঞ্চলের শতকরা ৮৫ জন লোকের জীবন ধারণের সমস্যা, তাদের শুধু বেচে থাকার জন্য যে সমস্ত প্রয়োজনীয় দ্রব্য সামগ্রী বা চাহিদা আছে, তার কথা এই বাজেটে

উল্লেখ নেই। এই বাজেট পড়ে আমার একটি কথা মনে হলে যে হইয়া যেন একখান খবর কাগজ বা Hand Bill, যা কয়েক আৰু পয়সা দিলেই বাজারে পাওয়া যাবে।

আমি এই সমস্ত কথা এইজন্য বলছি যে এই বাজেটে মাটি বা মাটির বন্টন ব্যবস্থা সম্বন্ধীয় কোন বিশেষ প্রস্তুতির উল্লেখ নেই। মাটি বন্টন ব্যবস্থা এমনভাবে করা উচিৎ যার দ্বারা সাধারন কৃষক যাদের দু-দশ বিঘা জমি আছে, তার যাতে লাভবান হয়। কিন্তু আমাদের কংগ্রেস সরকারের দেখছি সেদিকে কোন লক্ষ্য নেই কৃষি ভিত্তিক অর্থনীতিৰ উপর নির্ভর করেই এই বাজেট তৈরী করা উচিৎ ছিল। যার ফলে এই আসাম রাজ্যের কৃষকদের মাটির সমস্যাও দূর হতে, অন্যদিক দিয়ে অর্থনৈতিক মানদণ্ডেরও উন্নতি হতো। সেই নীতি অনুসারে যদি সরকার তথা বিত্তমন্ত্রী বাজেট তৈরী করতেন তাহলেই বাজেট স্বয়ং সম্পূর্ণ হতো।

তারপর আসামের কৃষির উন্নতি এবং কৃষকদের দূরবস্থার প্রধান কারন হলো বন্যা আসামের বন্যা যেন মানুষের রক্ষা রোষের খড। সবকিছু ক্ষয় করে বিনষ্ট করে দিতেই তৎপর কিন্তু আসাম সরকার তজ্জন্য বিশেষ কোন সুদৃঢ় ব্যবস্থা নিতে অপারগ। এই যে প্রতি বছরে বন্যায় আসামের কৃষির এত ক্ষতি হচ্ছে লাখ লাখ টাকার শস্য নষ্ট হচ্ছে যে দিকে সরকারের কোন ভ্রুক্ষেপই নেই। আর মাঝে-মাঝে যে যৎকিঞ্চিত সাহায্য করেছেন সেটাও যেন 'হাতীর মুলে দূঠা ঘাস''। এতবড় গুরুত্বপূর্ণ অবস্থার প্রতি সরকারের এহেন অবহেলা অত্যন্ত অন্যায় এই বাজেটে .৩ কোটি টাকা ঘাটাছে বলা হয়েছে। ৮২ লক্ষ টাকা Relief দেওয়া হয়েছে। তাহলে বলতে হবে ১৩ কোটি টাকার আজিউ সমল নষ্ট হয়েছে। এবং তাহলে বাধ্য হয়েই বলতে হয় যে এই আসাম সরকার প্রকৃত শ্রমের মর্যাদা দিলেননা। রক্তক্ষয় করে ফসল অর্জন করে কৃষক, তার মূল্য এই সরকার বুঝলো না। কৃষকের পরিশ্রমের মূল্য দিলেনা গরীব কৃষকর গরীবেই রয়ে গেল।

অন্যদিকে কিছু সংখ্যক লোকের সুবিধা দিয়ে সরকারের বেয়া একচোখা দৃষ্টি আছে। যেমন সরকারে কর্মচারী A.C.S., I.A.S. ইত্যাদি হাজার অফিসারদের জন্য। অফিসাররা যদি একবার চোখ রাঙায় বা শুধু কলমের এক খোচা মারে

তাহলেই সরকার তড়ি ঘাড় ধরে যে কোন একটা ব্যবস্থা শীঘ্রই জয় ফে.লন। কিন্তু এই যে শতকরা ৮২ জন কৃষক অর্থাৎ আসামের লাখ লাখ নিপীড়িত মানুষ আবহমান কাল করে ভুগছে তাদের জন্য সরকারের বিশেষ কোন ব্যবস্থা নেই। একশ্রেণীর লোক দিন দিন ধনী হচ্ছে আর এক শ্রে র লোক দিন দিন শুধু গরীবই হচ্ছে। তাদের দিকে সরকারের সুদৃষ্টি নেই। তারা যেন অবহেলিত অবাঞ্ছিত। তাই আমি অত্যন্ত দুঃখের সংগে বলছি যে আসাম সরকার তাঁর বাজেটে এই অনুন্নত কৃষকদেরে আওতায় আননেনি।

আরও আশ্চর্যেয় কথা এই যে সরকারের তার নিজের টাকা পয়সার হিসাব ঠিকমত নিতে পারেন নি। এইরূপ গুরুত্বপূর্ণ কাজেও সরকারের অবহেলা। যেমন last audit Report এর কেলেঙ্কারী কথা প্রত্যেক মাননীয় সদস্যই জানেন কোটি কোটি টাকার Voucher নেই হাজার objection থাকা সত্বেও সরকার বিশেষ উদ্বিগ্ন নয়। অথচ এই নিরক্ষর, অভাবগ্রস্ত জর্জরিত কৃষকের বেলাই সরকারের বড় কড়াকড়ি। Non submition of detailed bills in time may also result in fraud, defalcation, etc.

যেমন এই নাতে দেয়া ৪৬ কোটি টাকার কোন voucher বা Bill ইত্যাদি কোন কিছুই নেই। তাহলে জনসাধারণের কেন সরকারের উপর বিশ্বাস ভংগ হবেনা, কেন তারা বিদ্রোহ করবে না? এই যে পূর্ববঙ্গ এবং পশ্চিমবঙ্গে শোষণের বিরুদ্ধে ঘোর প্রতিবাদ উঠছে আন্দোলন, সংগ্রাম ইত্যাদি করছে তা কিসের জন্য। এই বিদ্রোহের আগুন যেখানে জ্বলে উঠছে শুধু শোষণকারী সরকারের জন্য। জনসাধারণকে শুধু নিষ্পেষণ করার জন্যই আজ যেখানে অশান্তির ঝড় উঠছে। আমি সেজন্য বলছি জনসাধারণ আর কত সহ্য করবে? একদিন তারা জেগে উঠলেই, তখন তারা নিজেরাই তার ব্যবস্থা করবে। ভোটের সময় শুধু plan, programme করে আর লম্বা লম্বা বুকুলি ছেড়ে ভোট সংগ্রহ করলেই চলবে না। গণতান্ত্রিক রাজ্যে শুধু সমাজ বাদের কথা বললেই দেশে সমাজবাদ প্রতিষ্ঠা হবে না। তার জন্য সুস্থ বাস্তব দৃষ্টি ভংগি দ্বারা পরিকল্পনা গ্রহণ করে কার্য্যপন্থা গ্রহণ করা কর্ত্তব্য। কিন্তু আসাম সরকার যা করছেন বা যে ভাবে রাজত্ব চালাছেন সেটাকে গণতন্ত্র না বলে রাজতন্ত্র বললেই বোধহয় ভাল হবে। বাহিরে গণতন্ত্রর ভদ্রবেশ আর ভিতরে রাজতন্ত্রের চূড়ান্ত কারবার। কিন্তু আমি বলছি একদিন এই রাজতন্ত্র

বাইরের ভদ্রবেশ খলে যাবে আর তখনই এই আসাম সরকারের মুখোশ খুলে যাবে।

তারপর দুর্নীতি এই সরকারের রন্ধ্রে রন্ধ্রে প্রবেশ করেছে তার মূলে আছে সরকারেরই অফিসার কর্মীরা ইত্যাদি। 4th five year plan এ P.W.D. বিভাগের State Minister আমরা নিজের সমষ্টির বাঁটের ব্যাপারে শতকরা ৮০ ভাগ কাজ হবে বলে কথা দিয়েছিলেন। কিন্তু Bridge এর কাজ এখনও Start দেওয়া হয়নি ইহা অত্যন্ত দুঃখের বিষয়। তাহলে দেখছি বিদ্রোহ ছাড়া গত্যন্তর নেই। যেসময় অফিসার এইরূপ গর্হিত কাজে অভ্যস্ত তাদেরকে Suspand করতে হবে। ভদ্র গভর্ণমেন্টের ভদ্র কর্ম্মচারীই থাকা মাম উচিৎ মনে করি Democracy র যুগে সরকারী কর্ম্মচারীরা জন প্রতিনিধির কোন মূল্যই দেয় না। এটা যেন এক। autocracy, রাজতন্ত্র যেন এখানে গণতন্ত্রের বেশ ধরে চলছে। সরকারের সর্বত্রই যেন একটা রাজকীয় মনোভাব। অফিসার মহলের তো কথাই নাই মন্ত্রীরও তাই। তাই আমি বলি সরকারের এই চালচলন বদলাতে হবে। আর নাহলে সরকার নিজেই নিজের পায়ে কুঠার মারবেন। তার পরের কথা অফিসাররা কিভাবে ফাকি দেয়। M.L.A. হয়ে আমরা ভোটে অমনি. আমাদের পেছনে জনগণের সমর্থন আছে। কিন্তু আমাদের কে তারা আমল দেয়না এমনকি মন্ত্রীদেরে পর্যন্ত গ্রাহ্যের মটো আনেনা। অথচ একজন Cabinet Minister এর Official Suspend করার ক্ষমতা পর্যন্ত আছে। বর্ত্তমানের মুখ্যমন্ত্রী Last year এ যখন E/D মন্ত্রী দিলেন তখন আমার সমষ্টির একটা বাধের ব্যাপারে order দিয়াছিলেন। মন্ত্রীর order অথচ আজ পর্যন্ত বাজেয় কোন পাত্তাই নেই। ঐ সম্বন্ধে কথা উঠলেই অফিসাররা নানা Technical অসুবিধায় কথা বলে। ঐ বাধের কাজের ব্যাপারে শ্রমিক বাহিনীকে তারা ইচ্ছামত বাড়িয়ে Rate দিতে পারে। কিন্তু সামান্য কাজও তারা করতে পারেনা। অনুরোধ করলে তারা বলে এটা তো আমাদের দ্বারা হবেনা মন্ত্রীর কাজ এটা। মন্ত্রীদেয়কে বললে তারা বলবেন Assembly নাহলে কাজ করা অসম্ভব। ১৯৬৭ সালে ১,৩,০, Cubic Meter Rate কাছাড় জিলায় E/D বাধের কাজের পারিশ্রমিক ৩ টাকা ৪০ পয়সা ধার্য্য করা হয়েছিল। ২৫ জন শ্রমিকদেয় Leader তারজন্য Loos হয়েছে। ১৯৬৮ ইংরাজীতে Flood এর জন্য অনেক ফসল নষ্ট

হয়েছে। তা শুধু এই শ্রমিকদেয়াক যথাসময় সাহায্য না করার জন্য। অনেক আবেদন নিবেদন ও করা হয়েছে। কিন্তু আজও এই বিভাগেয় মন্ত্রীমহোদয় কিছু করলেন না। সাহাতে এই Rule টা বাড়িয়ে শ্রমিকদেয়ে সাহায্য করেন তারজন্য আমি মন্ত্রী মহোদয়কে অনুরোধ করি। এই গণতান্ত্রিক রাজ্য আমরা M.L.A বা একটা সমষ্টির M.L.A. অরা মন্ত্রীর হলে সমগ্র রাজ্যর প্রতিনিধি। মন্ত্রীরা যদি ফাঁকি দয় তবে ইহা গণতান্ত্রর পক্ষে ক্ষতিকর হ'ব। আমাদের মুখ্যমন্ত্রী মহোদয়ে আগে একটি Order দিয়াছিলেন। কিছুমান আচনির বিষয় That order has not been carried out। সেই order এর File নাই বলেন সেখানকার বার্যকর্তাৰা। আমাদের গ্রাম্য ভাষায় একটি কথা আছে। হাকিম নড়ে তো হুকুম নড়েনা। যদি এই সমস্ত কাজ-কারবার সরকারী কার্যালয়ে চলতে থাকে তবে জনসাধরণ বেচ জেগে উঠে না। বেন শ্রমিকর আন্দোলন বরবেনা? এই ভাবে যদি office এ জনসাধরণর দাবী ইত্যাদির অবহেলা করে তবে সেই সরকার গণতন্ত্রর হত্যাকারী হবে। এই ভাবে যদি সরকার রাজ্য চালান তবে এই আসামেই C P. M. ইত্যাদি আরম্ভ অত্যন্ত স্বাভাবিক। এই ভাবে কতদিন আর সরকার ভাওড়া দিয়া Bluffi দিয়া রাজ্য চালাবেন। জনসাধারণে একদিন জেগে উঠবেই। তখন আর গণতন্ত্রর নিয়মকে তাৰা মানবেনা। নিজেদে দাবী তাৰা নিজেরাই আদায় কৰে নেবে। তাই আমাৰ অসুবিধা এই ভাবে যেন নিরীহ জনসাধারণকে অবহেলা উপেক্ষা করা নাহয়। সরকারী অফিসার যেন জনসাধারণর দাবাকে অবমাননা না করে। এই টুকু বলেই আমি আমার বক্তৃতা শেষ করলাম এবং বাজেটের উপর প্রতিবাদ জানালাম।

শ্রীলালছুঙ্গা চিনজা :— In English

শ্রীমনেশ্বৰ বড়া : অধ্যক্ষ মহোদয়, তেখেতইহে মিজোপাহাৰ জিলাৰ একমাত্র বক্তা। তেখেত এখন জিলাৰ প্রতিনিধি—গতিকে তেখেতক সময় দিব লাগে।

**Proceedings in English**

শ্রীকবিৰ চন্দ্র ৰায় প্রধানী : আগৰ system change কৰিলে নেকি?

মি: স্পীকাৰ : দুজন ইফালৰ পৰা আৰু দুজন সিফালৰ পৰা কৈ দিয়া হৈছে।

শ্রীকবিৰ চন্দ্র ৰয় প্রধানী : তেন্তে আমি পাম।

মিঃ স্পীকাৰ : নিশ্চয় পাব—

শ্রীবিষ্ণু নাথ উপাধ্যায় :— In Hindi

আজি গাঁৱ উন্নয়নৰ ক্ষেত্ৰত আমি দেখিছো গাঁৱত কৃষি-উন্নয়নৰ কোনো ব্যৱস্থাকে দেখা পোৱা নাই। আনকি অত্যাৱশ্যকীয় পানীযোগানৰ ব্যৱস্থাও নাই। আজি Animal Husbandary ক্ষেত্ৰত দেখিছো যে, আমাৰ উত্তৰ লক্ষীমপুৰত গৰু খুব মৰিছে কিন্তু সেই অঞ্চলত আজি ২০ বছৰেও এটা Vetenery Hospital খোলা হোৱা নাই। এই সম্পৰ্কে মই কৃষি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। আজি আমাৰ কৰ-কাটলৰ ক্ষেত্ৰতো দেখা যায় যে, গৰীৱসকলৰ ওপৰতহে এই Tax ৰ বোজা বাঢ়ি গৈছে।

(কোৰাম নাই)

ফলত আজি ধনী বিলাক ধনী হৈছে আৰু গৰীৱ বিলাক গৰীৱ হৈয়েই আছে। আজি Sale Tax ও ১৫ গুণ বাঢ়িছে যদিও এই Tax দুখীয়াৰ ওপৰতে-বোজাকৈ পৰিছে। ফলত ধনী বিলাকক ধনীহে কৰা হৈছে। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Kandarpa Narayan Banikya : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাৰ প্ৰথম পৃষ্ঠাতে প্ৰাক্তন মুখ্য মন্ত্ৰী ডাঙৰীয়া চলিহাদেৱৰ প্ৰতি শ্ৰদ্ধা অৰ্পণ কৰি বাক্যটো আৰম্ভ কৰিছে। সেইটো হৈছে "তেখেত আছিল সমগ্ৰ পূৰ্ব্বাঞ্চলৰ সংহতি সাধনৰ এক মহান শক্তি। সকলোৰে অন্তৰ পৰশা তেখেতৰ শান্ত ব্যক্তিত্বই বিৰোধী লোককো নিৰস্ত্ৰ কৰিছিল : তেখেতৰ মৰমসনা বন্ধুত্বই আৰু বিনম্ৰ ভদ্ৰতাই প্ৰতিদ্বন্দ্বিকো কৰিছিল আকৰ্ষণ। তেখেতৰ দৰে দূৰদৰ্শী ৰাজনীতিত এটা শতাব্দীত এবাৰহে জন্ম গ্ৰহণ কৰে।" সঁচাকৈয়ে তেখেতৰ বিয়োগত আমাৰ দেশে এজন ভাল ৰাজনীতিজ্ঞ হেৰুৱালে। আমি কেতিয়াবা বিপদত পৰি চলিহাদেৱৰ ওচৰলৈ গলে তেখেতে লাহে লাহে মধুৰ ভাৱে আদৰণি জনায়—সকলোকৈ এটা ধমক দিয়ে। তেখেতে দেশৰ মঙ্গলৰ কাৰণে মৃত্যুৰ আগতে অপ্ৰাণ চেষ্টা কৰিছিল। সেইকাৰণেই মহিলা কবিৰ ভাষাৰেই মই কওঁ -

'মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।"

---

*Spech not Corrected

তেখেতে যেন মৰাৰ শেষতো পৃথিবীৰ বুকুত জিৰণি লৈছে। মইও বিত্তমন্ত্ৰীৰ লগতে মুখ্য মন্ত্ৰী গৰাকীক শ্ৰদ্ধাঞ্জলি কৰিলো।

আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত কৈছে যে, "ক্ষিপ্ৰ নিবনুৱাৰ সংখ্যা বৃদ্ধি ভাৰতীয় অৰ্থনীতিৰ এক আটাইতকৈ ভয়াবহ সমস্যা। ভাৰত চৰকাৰে অৱশ্যে সমস্যাটোৰ বিষয়ে সম্পূৰ্ণ সজাগ।" মই ইয়াৰ লগতে আৰু অলপ কথা যোগ দিব খুজিছো যে, অসম চৰকাৰেও এই ক্ষেত্ৰত সজাগ হৈ থাকিব লাগিব।

Shri Sailen Medhi : উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াৰ ভাষণত জানো সদস্য ডাঙৰীয়াই লগ লগাব পাৰিব।

Sir Kandarpa Narayan Barikya : আজি আমাৰ দেশত Paper Mill, Sugar Mill আদি কৰি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰিব। আজি আমাৰ ডেকা ল'ৰাবিলাকক স্বাবলম্বী হোৱা শিক্ষা দিলেহে আমাৰ এই নিবনুৱা সমস্যা সমাধান হব। আজি নাৰিকল তেল আদি মাদ্ৰাজৰ পৰা আনিব লাগে। এই বিলাকৰ খেতি যদি অসমৰ ইয়াতে কৰা হয় তেতিয়াহলে আমাৰ বহুত লাভ হব।

( স্বৰ : খেজুৰ, নাৰিকল )

( খেজুৰ তাৰি কৰাৰ কাৰণে নেকি ? )

আজি যদি এইবিলাক বস্তু আমি বাহিৰৰ পৰা আনিব লগা নহয় তেতিয়াহলে বহুত টকা অসমত ৰৈ যাব।

আমাৰ অসমীয়া মানুহে খাদ্য বস্তুত স্বাবলম্বী হবলৈ চেষ্টা কৰি আছে—অসমৰ নিচিনা মাটি ভাৰতৰ ভিতৰতে নাই। এটা পানৰ আগ গুজি থলেই লহপহকৈ গজি উঠে। কিন্তু কলিকতাৰ পৰাহে আমাৰ ইয়ালৈ পান আহে। আজি স্বাধীনতাৰ পিছৰ পৰা কিমানে তামোল-পান কইছে, কিমানে নাৰিকল কইছে ? বা কিমান খেজুৰী কইছে ? ন জোপা খেজুৰীৰ পৰা ১ মোন গুৰ হয়। অথচ অসমীয়া মানুহে খেজুৰী খেতিও নকৰে।

আমাৰ Refinery, Paper Mill, Petro Chemical, Complex ইত্যাদি উদ্যোগ স্থাপন হব। Petro Chemical Industry হলে কি হব ? ডাঙৰ

ডাঙৰ ঘৰ থাকিব মটৰ গাড়ী থাকিব কিন্তু তাৰ দ্বাৰা অসমৰ চাহিদা পূৰণ নহব। Petro chemicals ৰ কাৰণে এড়ী মুগা পাটৰ প্ৰয়োজন, এই বিষয়ে দা ডাঙৰীয়াইয়ে কৈ গৈছে। এড়ী মুগা পাট আমাৰ দেশত বঢ়াব নোৱাৰিলে আমাৰ Polyester fibre বিদেশলৈ যাব। আমাৰ ইয়াত বোৱনীৰ অভাব নাই। আমাৰ ৰাজ্যত বহু পৰিমাণে এড়ী মুগা কপাহ হব পাৰে। গতিকে এইবোৰ সামগ্ৰী বঢ়াবলৈ চেষ্টা কৰিব লাগে। ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণ কৰাটো কেতিয়াও সম্ভৱপৰ হব নোৱাৰে। বানপানী নিয়ন্ত্ৰণ কৰিবলৈ হলে শদিয়াৰ পৰা গোৱালপাৰালৈকে মাটি খান্দিব লাগিব। তাৰ কাৰণে ১০০ কোটি টকা প্ৰয়োজন হব।

অনুন্নত সম্প্ৰদায়ৰ কাৰণে একো কৰা নাই বুলি কলে ভুল হব এওঁলোকৰ চাকৰী বাকৰী সংক্ৰান্তত যিমানখিনি হব লাগিছিল সিমখিনি হোৱা নাই, ইয়াৰ লগতে মই আৰু এটা কওঁ আমাৰ Public Service Commission ত এজনো Schedle cast ৰ মেম্বাৰ নাই। সেই কাৰণে মই আশা কৰিছো Schedleৰ cast ৰ পৰা অন্ততঃ A.P.S.C. ত লব বুলি আশা কৰিলো।

Goalpara ত মানুহৰ যাতায়তৰ কোনো সুব্যৱস্থা আজিলৈকে নহ'ল, তাৰ মানুহৰ কাছাৰিলৈ অহা-যোৱা কৰাও অতি কষ্টকৰ। সেই কাৰণে অভয়াপুৰিত এটা Sub divisional Head quarter পাতিবৰ কাৰণে অনুৰোধ জনালো। এই বাৰৰ অধিবেশন আমাৰ পঞ্চম বাজেট অধিবেশন। আমি বিধান সভালৈ আহিছিলো, ইয়ালৈ আহিবৰ সময়ত দেশ মাতৃকাৰ সেৱা কৰাৰ উদ্দেশ্যেৰে আহিছিলো -

এইখিনিতে মোৰ নলিনী বালা দেৱীৰ এফাকি কবিতালৈ মনত পৰিছে—

নদী হই পখালিম
দুখনি চৰণ নিতে
মাটি হই মিলিম বুকুত,
সোণোৱালী মেঘ হই
বগা হাহি সিঁচিঁম
শেতা পৰা দুখানি ওঁঠত ॥

Shri Kamakhya Prasad Tripathy (Minister, Finance) : Mr. Deputy Speaker, Sir, this has been a very long drawn out debate on the budget speech of the Finance Minister; very able debates have taken place and a large number of sugestions have been thrown out. I am extremely thankful to the hon. Members who have taken part in this debate. It will hardly be possible for me to meet all the points raised in dispute But I have taken note of them and these have been transmitted to various departments for departmental action.

In a debate, I can touch on the salient features of discussion taking place and I will try to meet some points made by the hon. Members. This time we did not bring any taxation measure and I think, the hon'ble members were rather disappointed about it. They thought that if some taxation measures were this time just before the election it would help the hon'ble members to......

Shri Phani Bora : Sir, The cat is out of the bag now. It is now clear that in order to face the electorate he has not brought any taxation measure. But I am sure, if they are again voted to power next time there will be heavy taxation.

Shri Kamakhya Prasad Tripathi : That was the idea of the hon'ble mambers. They were little disappointed and instead of thanking the Finance Minister that in spite of the heavy deficit of 43 crores he did not bring any taxation measure they caught upon the dificit itself : ah ! a huge deficit is there ? How shall the State budget be squared up ? Interest will go on piling up and so on and so forth. But I beg humbly to point out to the hon'ble members that the actual deficit in course of this year is 4.79 crores, that is little less than 5 crores; the balance is the accumulated deficit of the past years. That simply shows that we have been

Shri Mathura Mohan Singh : माननीय अध्यक्ष महोदय, বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৭০-৭২ চনৰ কাৰণে যি বাজেট দাঙি ধৰিছে, তাত আমি উন্নয়ণ মূলক কামৰ আঁচনি দেখিছো। ইয়াৰ দ্বাৰা বুজা যায় যে, আমাৰ অসম ৰাজ্য লাহে লাহে উন্নতিৰ পথেৰে আগবাঢ়ি গৈছে। এই সম্পৰ্কত মই দুই চাৰিষাৰ পৰামৰ্শ আগবঢ়াব খুজিছো। বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ বাজেটত শিক্ষাৰ সম্প্ৰসাৰণৰ কথা উল্লেখ কৰিছে। অৱশ্যে এইটো সত্য যে স্বাধীনতাৰ পিচৰ পৰা আমাৰ দেশে শিক্ষাৰ ক্ষেত্ৰত বহুতো আগবাঢ়ি গৈছে। প্ৰাইমাৰী স্কুল, হাইস্কুল, মধ্য ইংৰাজী স্কুল নাইবা কলেজৰ ক্ষেত্ৰত শিক্ষাৰ যথেষ্ট সম্প্ৰসাৰণ হৈছে। কিন্তু শিক্ষাৰ নীতিৰ ক্ষেত্ৰত বহুতো খেলি-মেলি হোৱাৰ কাৰণে শিক্ষাৰ মানদণ্ড বঢ়াব পৰা নাই। প্ৰাইমেৰী স্কুলৰ ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে, এই স্কুলৰ স্তৰত দুটা ভাগক ভাগ কৰিছে। কিছুমানক চৰকাৰে নিজে পৰিচালনা কৰে আৰু কিছুমানক বৰ্ডে পৰিচালিত কৰে। পাঠ্যক্ৰম একে হলেও আমাৰ সৰ্ব্বসাধাৰণ মানুহৰ ভিতৰত, ৰাইজৰ মাজত এটা বিতৃষ্ণাৰ ভাৱে দেখা দিছে। কিছুমান স্কুল ঘৰ ভাঙি চিঙি গলে দেখা যায় ৰাইজে নিজে মেৰামতি কৰি লব লগা হয় আৰু কিছুমান স্কুলক চৰকাৰে সকলো প্ৰকাৰে সহায় কৰে। সেইদৰে আজি যিবিলাক হাইস্কুল গঢ়ি উঠিছে সেইবিলাকৰ কিছুমানে Deficit, কিছুমান Ad-hoc আৰু কিছুমানে Recurring grant পাইছে। আৰ্থিক অৱস্থা ভাল নোহোৱা স্কুলৰ অৱস্থা দিনক দিনে বেয়াৰ ফালেহে গৈছে। সেই কাৰণে আজি শিক্ষাৰ মানদণ্ড ক্ৰমে বেয়া হৈ গৈছে। আজি দেখা গৈছে পৰস্পৰে পৰস্পৰক দোষাৰোপ কৰিছে। যিহেতু প্ৰাইমাৰী স্কুল সমূহত শিক্ষাৰ সজুলি নোহোৱাৰ আৱশ্যকীয় শিক্ষক নোহোৱাৰ বাবে শিক্ষা দান বেয়া হৈছে আৰু এই ছাত্ৰসকল যেতিয়া হাইস্কুল পৰ্য্যায়লৈ যায় তেতিয়া হাই স্কুলৰ Result বেয়া হয়। সেইদৰে যিবিলাক হাইস্কুলে ভাল Grant নাপায় বা যিবিলাক স্কুলত ভাল শিক্ষক নাথাকে তেওঁলোকৰো শিক্ষাৰ মানদণ্ড কমি যোৱাটো স্বাভাৱিক। এই ছাত্ৰ-ছাত্ৰীবিলাক কলেজলৈ গলে ভাল Result কৰিব নোৱাৰে ফলত হাই স্কুলে প্ৰাইমাৰী স্কুলক আৰু কলেজে হাইস্কুলক পৰস্পৰে পৰস্পৰক দোষাৰোপ কৰে। এনে এটা বৈষম্যতা আমাৰ শিক্ষাৰ ক্ষেত্ৰত দেখা যায়। এই ক্ষেত্ৰত শিক্ষা বিভাগে ভাল ভাৱে পৰিকল্পিত ভাৱে আঁচনি কৰিব লাগে। ইয়াৰোপৰি আমাৰ ৰাজ্যৰ স্কুলবিলাকৰ পৰিদৰ্শনৰ নিয়মো ভাল নহয়। প্ৰাইমেৰী স্কুলৰ সংখ্যাও ইমান বেছি যে, সেই হিচাবে Inspecting Staff নোহোৱাৰ

বাবে এজন Sub. Inspector প্ৰায় এশ খন স্কুল পৰিদৰ্শন কৰা সম্ভৱ নহয়। ফলত শিক্ষাৰ উন্নতি পৰিলক্ষিত হোৱা নাই। গতিকে শিক্ষাৰ মান উন্নত কৰিবৰ বাবে এটা সু-পৰিকল্পিত আঁচনি দাঙি ধৰিব লাগে আৰু উপৰোক্ত কেৰোণ, বৈষম্যতা দূৰ কৰিবৰ বাবে যত্ন কৰিব লাগে।

দ্বিতীয় কথা হৈছে যে, আমাৰ দেশখন এখন কৃষি প্ৰধান দেশ। আমাৰ শতকৰা ৮০ জন মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰে। খেতি কৰিবৰ বাবে যিখিনি সা-সজুলি আৰু সা-সুবিধা আমাৰ খেতিয়ক ৰাইজে পাব লাগিছিল — সেই সুবিধা আমাৰ খেতিয়ক ৰাইজে পোৱা নাই। উদাহৰণ স্বৰূপে মই কব খোজো যে, খেতিৰ বাবে প্ৰচুৰ পানীৰ দৰকাৰ। কিন্তু আমাৰ গোৱালপাৰা জিলাৰ কথাকে কব পাৰো যে, সেই অঞ্চলবিলাকত জলসিঞ্চনৰ ব্যৱস্থা নাই ২/৪ ঠাইত জলসিঞ্চনৰ ব্যৱস্থা কৰিছে যদিও তাৰ দ্বাৰা ৰাইজ উপকৃত হব পৰা নাই। গৰীব খেতিয়ক সকলে জলসিঞ্চনৰ বাবে যি খেতিৰ জমি দিলে তাৰো কোনো ক্ষতি পূৰণ পোৱা নাই। সেইবাবে তেওঁ লোকৰ দুৰ্দশা ক্ৰমে বাঢ়ি গৈছে। কৃষিৰ দ্বাৰা অৰ্থনৈতিক সমস্যা সমাধান হোৱা দুৰৰ কথা বৰঞ্চ দিনক দিনে বাঢ়ি গৈছে। গোৱালপাৰা জিলাৰ অৰ্থনৈতিক সমস্যা বেয়া হোৱাৰ কাৰণ দুটা প্ৰধানতঃ দেখা যায়। এটা হৈছে জলসিঞ্চনৰ অসুবিধাত কৃষিৰ কামত আগ-বাঢ়িব পৰা নাই আৰু দ্বিতীয়তে শিল্প-উদ্যোগ নোহোৱাৰ কাৰণে নিবনুৱা সমস্যা বাঢ়ি গৈছে।

গোৱালপাৰা জিলাত এইবাৰ মানুহৰ সংখ্যা শতকৰা ৪১ জন বৃদ্ধি হৈছে বুলি জানিব পাৰিছো। এই জনসংখ্যা বৃদ্ধিৰ সমস্যাই গোৱালপাৰা জিলাৰ অৰ্থনৈতিক ক্ষেত্ৰত আৰু দুৰ্ব্বল কৰিব বুলি ধাৰণা হৈছে। কাৰণ যদি খেতিয়ক ৰাইজৰ উন্নতি কৰিব নোৱাৰো তেনেহলে বেছি ভাগ ৰাইজৰে অৰ্থনৈতিক অৱস্থা একেবাৰে বেয়া হব।

দ্বিতীয়তে Industry ত Employment Potentiality গোৱালপাৰাত হোৱা নাই। দুই এটা Indutry হোৱাৰ সম্ভাৱনা আছে যদিও আজি পৰ্য্যন্ত কাৰ্য্যকৰী নোহোৱাত শিক্ষিত নিবনুৱাৰ মাজত চাঞ্চল্যকৰ মনোভাৱ সৃষ্টি হৈছে। আমি দেখিবলৈ পাইছো শিলঙলৈ অন্যান্য বহুতো ঠাইৰ ডেকা ল'ৰাই চাকৰি বিচাৰি আহিছে, কিন্তু আমাৰ গোৱালপাৰাৰ পৰা তেনেকৈ অহা লোক কম। ইয়াৰ অৰ্থ

এইটোৱেই যে তেওঁলোকে শ্বিলঙত থাকি চাকৰি বিচাৰিবলৈ Hotel ৰ খৰছ বহন কৰিব নোৱাৰে। যিহেতু তেওঁলোকৰ আৰ্থিক অৱস্থা অতি শোচনীয়। বহুতো ক্ষেত্ৰত তেওঁলোকে সন্তেদ নোপোৱাৰ বাবেও আগভাগ লব পৰা নাই। আমাৰ যিসকল শিক্ষিত নিবনুৱা আছে তেওঁলোকক Industry ৰ পৰা আৰম্ভ কৰি Loan ইত্যাদিৰ সুবিধা দি কামত আগবঢ়াই নিবলৈ মই পৰামৰ্শ আগ বঢ়াইছো। আমাৰ জিলাখন যাতায়তৰ ক্ষেত্ৰত বহুত পিচপৰা। গোৱালপাৰা মহকুমাটো ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে পৰাৰ কাৰণে উত্তৰ পাৰৰ ৰাইজৰ সংযোগত বহুত বেমেজালি হৈছে। কাৰণ ব্ৰহ্মপুত্ৰ নদীখন সদায় পাৰ হৈ Court কাছাৰিলৈ যাব লগীয়া হয়।

পৰিবহন ব্যৱস্থা বেয়া হোৱাৰ কাৰণে ৰাইজে দুৰ্ভোগ ভোগিব লগা হৈছে। এই বিষয়ে ৰাইজে আবেদন জনাই আছে। সেই কাৰণে গোৱালপাৰা মহকুমাৰ উত্তৰ পাৰত চতুৰ্থ Sub-Division স্থাপন কৰিব লাগে। এই বিষয়ে ৰাইজে বহুত দিনৰ পৰাই আন্দোলন চলাই আছে। Sub-Division ৰ সম্পূৰ্ণ নহলেও অন্ততঃ সাধাৰণ মানুহৰ দৈনন্দিন কামৰ বাবে Court কাছাৰিৰ কাম কৰিবলৈকে এটা ব্যৱস্থা কৰিব লাগে। উত্তৰ পাৰত আজি দুই তিনি বছৰ হল Law and order ৰ কাৰণে মাত্ৰ এজন Magistrate দিছে। গতিকে অতি সোনকালে তাত এজন মুন্সিব দিব লাগে।

শিক্ষানুষ্ঠান আৰু শিক্ষাৰ কাম সুচাৰু ৰূপে চলাবৰ কাৰণে গোৱালপাৰা মহকুমাৰ উত্তৰ পাৰে D.I. এজন দিব লাগে। কাৰণ শিক্ষকসকলে সদায় কামৰ বাবে স্কুলৰ অফিচ, ট্ৰেজাৰীলৈ গোৱালপাৰালৈ যাব লাগে। আৰু মানুহে বহুতো কষ্টভোগ কৰিব লগীয়া হয়। সেই কাৰণে মই আশা কৰিছো যে চৰকাৰে এই বিষয়ে চিন্তা কৰি যাতে মানুহে দিনৌ ব্ৰহ্মপুত্ৰ পাৰাপাৰৰ দুৰ্যোগ ভোগ কৰিব নালাগে তাৰ কাৰণে শিক্ষা বিভাগৰ এটা অফিচ অভয়াপুৰী বা বঙ্গাইগাওঁত ৰাখে যেন।

অন্যান্য পিচপৰা শ্ৰেণীৰ লোকসকলৰ ল'ৰা-ছোৱালীবোৰক শিক্ষাৰ বিষয়ত অলপ সুবিধা দিছে যদিও সেইখিনিয়ে যথেষ্ট নহয়। শিক্ষাৰ বাহিৰেও অন্যান্য সুবিধা দিবৰ কাৰণে পৰামৰ্শ আগবঢ়ালো।

Shri Moneswar Pegu :—উপাধ্যক্ষ মহোদয়, ইংৰাজীতেই এটা কথা আছে যে Habits is the Second nature. এতিয়া বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাতো এইটোৱেই হৈছে যে জ্বৰ এৰিলেও প্ৰকৃতিয়ে নেৰে।

আজি ২৩ বছৰৰ কংগ্ৰেছ ৰাজত্বৰ পৰিণাম স্বৰূপে আমাৰ ৰাজ্যত দেখা দিয়া সমস্যা, দেশৰ পৰিবৰ্ত্তন আৰু বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাত কোনো আভাস পোৱা নগল। যোজনাৰ সমৃদ্ধি বৃদ্ধি বা সফলতা কংগ্ৰেছ চৰকাৰৰ অৰ্থনীতিৰ বাবে কাৰণ আছিল।

প্ৰথম পৰিকল্পনাতে যোজনা আৰম্ভ কৰি এই অৰ্থনীতি কৰ্ত্তন কৰাৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা কৰা হৈছিল। শাসনৰ ভিত্তিত গৰীব শ্ৰেণীক দূৰ্ব্বাৰ শোষণ কৰি ধনী শ্ৰেণীক সকলো ফালৰ পৰা সুবিধা দিয়া হল। এই নীতিৰ ভিত্তিতেই যথাযথ ভাবে বাজেট প্ৰতিষ্ঠা কৰা হৈছে।

১৯৭১-৭২ চনৰ বাজেটখনো এই নীতিৰ পৰা অকনো লৰচৰ হোৱা নাই। গতিকে এই বাজেটকো আমি শোষণ কৰা বাজেট বুলি আখ্যা দিব পাৰোঁ।

বিত্তমন্ত্ৰীৰ এই বাজেট বক্তৃতাটো প্ৰস্তাবিত গঠনমূলক আচঁনিবোৰ কাৰ্য্যকৰী কৰা নীতিৰ লগত কোনো সামঞ্জস্য নাই। গতিকে তেখেতৰ বাজেটখন মই ধেমাচেপা বাজেট বুলি কব বিচাৰিছোঁ। উদাহৰণ স্বৰূপে অৰ্থনৈতিক ক্ষেত্ৰত বন্য সম্পদ, বৃদ্ধিৰ বিষয়ে উল্লেখ আছে; যেনেকৈ গহপুৰৰ ফৰেষ্ট ৰিজাৰ্ভত ১৯৫৪-৫৫ চনৰ পৰা বসবাস কৰি থকা লোকক উচ্ছেদ কৰি তাত গছ ৰুই দিছে। ঘৰ বাৰী জুই লগাই দিছে। সেই অঞ্চলত কেৱল Scheduled Caste/Tribels ৰ লোকেই বহু বছৰ ধৰি নিজৰ স্থায়ী ঘৰবাৰীৰ কাৰণে মুকলি কৰি লৈছিল; কিন্তু তেওঁলোকক উচ্ছেদ কৰি দিয়া হৈছে। এই বিলাক কথা বিত্তমন্ত্ৰীৰ বাজেটত কোনো উল্লেখ নাই।

আমাৰ বাজেটত যোৱা ১৯৫০ চনৰ পৰা এই ২০ বছৰে আমাৰ Economic Development ত প্ৰায় ১৫ গুণ বাঢ়িছে। এই ১৫ গুণ বঢ়াস্বত্বেও আজি আমাৰ দৈনান্দিন বাঢ়ি অহা নিস্কুৱা সমস্যাটোক সমাধান কৰিব নোৱাৰিলে। আজি Economic Development ৰ নামত Industry, Forest, Agriculture, আৰু Fishery আদিত যিবিলাক টকা খৰচ হৈছে তাৰ পৰা জনসাধাৰণৰ কোনো উন্নতিকেই দেখা পোৱা নাই।

b rrowing more than earning. ( At this stage Mr. Speaker occupied the Chair ).

Shri Kamini Mohan Sorma:— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে অসমীয়াতে কলেই ভাল হয়। তেখেতে অসমীয়াতে বৰ শুৱলাকৈ কব পাৰে।

Shri Kamakhya Prasad Tripathi :— মাননীয় সদস্যই যেতিয়া অসমীয়াতে কবলৈ কৈছে মই এতিয়া অসমীয়াতে কম। এতিয়া আমাৰ বাজেটত ঘাটি কিমান? আচলতে ঘাটি হৈছে ৪.৮ কোটি টকা। আৰু অতীতত যি আছিল সেই ঘাটি যোগ দিওতে ৪৪ কোটি টকা হৈছেগৈ। গতিকে এইটোৱেই আমাক সূচায় দিয়ে যে আমি ধাৰ বহল কৰি যোৱা বৃত্তিটো কমাই দিব লাগে।

মাননীয় সদস্য সকলে এই সম্পৰ্কত মোক বহুতো উপদেশ দিছে। আৰু মৱো তেখেত সকলক এটা উপদেশ দিব খুজিছো। সেইটো হৈছে মাননীয় সদস্য সকলৰ গঠিত এটা Estimate Committee আছে। তেখেত সকলক মই এই পৰামৰ্শ দিও যেন তেওঁলোকে বেলেগ বেলেগ বিভাগ বিলাকত কৰ্ম্ম চাৰীৰ সংখ্যা আৰু work load চাব লাগে আৰু তাৰ বাবে অতিৰিক্ত খৰচ হৈছেনে নাই সেঃ বিলাক চাই চিতি কত কেনেকৈ কম বেচি কৰিব পৰা যায় সেই পৰামৰ্শ কমিটিৰ তৰফৰ পৰা দিলে কাৰ্য্যকৰী কৰিব পৰা হব। কিন্তু ব্যক্তিগত ভাৱে বা দলগত ভাবে পৰামৰ্শ আগ বঢ়ালে তাৰ ওপৰত কাৰ্য্যকৰী ব্যৱস্থা লব পৰা নাযায়। ৰাইজৰ মঙ্গলৰ কাৰণে সকলোৱেই চোৱা উচিত।

মাননীয় সদস্য সকলে নিশ্চয় জানে যে যোৱা বছৰ ২০ টকাকৈ D.A. দিবলগীয়া হোৱাত D.A. বাবদ ৩ কোটি টকাৰ অধিক খৰচ হৈছে। কিন্তু যি সকলক দিয়া হৈছে তাৰ পৰা তেওঁলোকৰ জানো কিবা কল্যাণ হৈছে? ২০ টকাত যিমান বস্তু কিনিব পাৰিলে হেতেন কিন্তু বস্তুৰ দাম বাঢ়ি যোৱাৰ ফলত সিমান খিনিও বস্তু কিনিব নোৱাৰা হল। এতিয়া আকৌ যদি D.A. বঢ়োৱা হয় তাৰ পৰা জানো আমাৰ কিবা লাভ হব। গতিকে

মই ভাবো যে আমি আগৰ বৃটিছৰ দিনৰ যি নিয়ম কম দৰ্মহা দিব কাম বেছিকৈ আদায় কৰিব—এই Principle টো follow কৰিব লগীয়া হৈছে। কিন্তু গণতন্ত্ৰত এইটো সম্ভৱপৰ নহয়। গণতন্ত্ৰৰ নিয়ম হৈছে উপযুক্ত বানচ দি উপযুক্ত কাম আদায় কৰা। সেই কাৰণে দৰ্মহা বেচি কৰা হৈছিল। কিন্তু এতিয়া দেখা গৈছে দৰ্মহা বেচি কৰিলেও কামত নাহে। সেই কাৰণেই মাননীয় সদস্য সকলক আহ্বান কৰিছো যে তেখেত সকলে দলগত ভাবে নহৈ সৰ্ব্বদলীয় কমিটিৰ জৰিয়তে পৰামৰ্শ আগবঢ়ায় তেন্তে কাম হব পাৰে।

মাননীয় সদস্য সকলে কৈছে যে এই বাজেটত নতুনত্ব একো নাই। আমাৰ ৪৩ কোটি টকাৰ ঘাটি হৈছে অথচ ৪২ কোটি টকাৰ Plan কৰা হৈছে। অহা বছৰৰ কাৰণে যি পৰিকল্পনা কৰা হৈছে ইয়াৰ কি মূল্য নাই?

Shri Phani Bora—গতানুগতিক

Shri Kamakhya Prosad Tripathi :— এখন জীৱিত সমাজত আংশিক পৰিবৰ্ত্তন কৰিব পাৰিলেও সম্পূৰ্ণ পৰিবৰ্ত্তন কৰা কঠিন। এই সম্পূৰ্ণ পৰিবৰ্ত্তনৰ কাৰণে আমাক বিধাতাই সুবিধা দিয়া নাই।

Shri Phani Bora :— বিধাতাই খাবলৈহে সুবিধা দিয়ে কিন্তু পৰিবৰ্ত্তনৰ সুবিধা নাই দিয়া বুলি কোৱা কথাটোৱে বিধাতাৰ ওপৰত Insinuation আনিছে।

Shri Kamakhya Prasad Tripathi :—আমাৰ অসম চৰকাৰৰ Tax In came হল ৩২ কোটি আৰু non Tax incame ধৰিলে প্ৰায় ৪০ কোটি টকা। কিন্তু আমাৰ খৰচৰ ঘৰত দুটা বিষয়ত কেবল ৪৩ হয়—প্ৰথম দৰ্মহাত — তাৰ কাৰণে ৩০ কোটি টকা ২ নং শিক্ষা বিভাগৰ কাৰণে ৩০ কোটি টকা। আমাৰ এই দুয়োটা বিভাগৰে খৰচ ৬০ কোটি টকা আৰু চৰকাৰৰ নিজা In came হল ৪০ কোটি টকা তদুপৰি ৩০ কোটি টকা ধাৰ আৰু তাৰ সুদ পৰিশোধ কৰিছো। এনে পৰিস্থিতিত কোনো বিত্তমন্ত্ৰীয়ে জাউবীয়ে জাউবীয়ে নতুন নতুন বয়বস্তু আৰু সুবিধা দিব নোৱাৰে। সেই কাৰণেই মই কওঁ যে এইটো বিত্তমন্ত্ৰীৰ যাদু কৰিব নোৱাৰাৰ দোষ নহয়। এইটো পৰিস্থিতিৰ পৰিণামহে মাথোন। শ্ৰীবৰা ডাঙৰীয়া যদি বিত্তমন্ত্ৰী হল হেতেন তেখেতেও

তথাপি তো কৰিব নোৱাৰিলে হেতেন অৱশ্যে তেখেত বুদ্ধিয়ক মানুহ। তেখেত অলপতে দিল্লীৰ পৰা আহিছে আৰু কৈছে যে ইন্দিৰা গান্ধীক কলে হয়তো পৰিবৰ্ত্তন কৰিব পাৰে। যদি ভাৰতবৰ্ষৰ সংবিধান পৰিবৰ্ত্তন কৰি যি বিলাক Resourse কেন্দ্ৰীয় চৰকাৰে পাইছে তাৰ কিছু অংশ আমাক যদি দিয়ে তেন্তে বৰ্ত্তমানৰ deficit ৰ পৰিবৰ্ত্তে সুচল অৱস্থা প্ৰৱৰ্ত্তিত হব পাৰে। যেতিয়ালৈকে এই পৰিবৰ্ত্তন নহয় তেতিয়ালৈকে কোনো বিত্তমন্ত্ৰীয়ে এইটো কৰিব নোৱাৰে

Shri Matilal Nayak :— আমাৰ Industry Minister যেতিয়া Supply Minister আছিল তেতিয়া খাদ্য নহলে কেন্দ্ৰৰ পৰা আনি দিছিল কিন্তু নাই বুলি নকৈছিল।

Shri Kamakhya Prasad Tipathi :— যেতিয়া মন্ত্ৰী হৈ থাকে তেতিয়া এনে দিব নোৱাৰে। কিন্তু যেতিয়া মন্ত্ৰী নহয় তেতিয়া সকলো দিব পাৰে। আমাৰ ফকৰুদ্দীন আহমদ চাহৰ Industry Minister থাকোতে আমাৰ ইয়াত কেইটা দিলে? অৱশ্যে নতুন Industry Minister হোৱাত আমি আকৌ আশা কৰিছো।

মাননীয় সদস্য সকলে জানে যে বছৰি ভাৰতবৰ্ষত জনসংখ্যা ২·৫% হিচাবে বাঢ়িছে এই মতে অামাৰ অসমত ১০ বছৰত ২৫% হব লাগে। কিন্তু হৈছে ৩৪%।

Shri Phani Bora :— আমাৰ ইয়াত জনসংখ্যাৰ হাৰ বেচি হয় নেকি? কালি মাননীয় সদস্য Dr. Suren Das ডাঙৰীয়াই এটা ভাল কথা কৈছে যে Tribal মানুহৰ মাজত জন বৃদ্ধিৰ হাৰ অতি কম। মই কও যে অসম খন গোটেই খনেই Tribal Area. গতিকে এই ধৰণেৰে হলে অসমত জন বৃদ্ধিৰ হাৰ কম হব লাগিছিল কিন্তু অন্যৰ তুলনাত দেখা গৈছে বেচিহে হৈছে। ভাৰতবৰ্ষত হল ২১% কিন্তু অসমত হৈছে ৩৪%। আমাৰ এতিয়াৰ Industry Minister যেতিয়া Supply মিনিষ্টাৰ আছিল তেতিয়াৰ পৰাই জনসংখ্যা বাঢ়ি গল। তেতিয়া জনসখ্যা আছিল ৯২ লাখ কিন্তু এতিয়া সেই সংখ্যা প্ৰায় ১½ কোটি হৈছেগৈ। আৰু এই জনসংখ্যাৰ সমস্যাটো জটিল হৈ পৰিছে।

বিত্তমন্ত্ৰীয়ে এই মাত্ৰ কলে যে Industry মিনিষ্টাৰ Supply Minister থাকোতেই জন সংখ্যা বাঢ়ি গল। কিন্তু মই কব খুজিছো যে তেখেত Supply মিনিষ্টাৰ থাকোতে মানুহ Supply কৰিলেনে নাই এনে কি ভাল বস্তু খোৱালে তাৰ ফলত মানুহৰ একে বাৰতে ৪।৫ টা লৰা-ছোৱালীৰ জন্ম হল।

Shri Kamakhya Prasad Tripathi :-- মাননীয় সদস্য বৰ বুদ্ধিয়ক। তেখেতে যি দুষ্ট বুদ্ধিৰে কথা কৈছে তাৰ উত্তৰ মোৰ সুবুদ্ধিৰে দিয়া টান।

Shri Giasuddin Ahmed :— দুষ্ট বুদ্ধিটো Parliamentary নে?

Shri Kamakhya Prasad Tripathi :— দুষ্ট বুদ্ধি মানে মই মৰমেৰে সৈতে কোৱা কথা বুলি কৈছো — তাৰ পাচত আমাৰ নিজৰ Income......

Shri Phani Bora : Mr. Speaker Sir, I think the Minister should with draw his remarks.

Shri Kamakhya Prasad Tripathi (Minister) : I withdraw it.

আমাৰ নিজা টকা মাত্ৰ ৪০ কোটি। অথচ দুটা বিভাগত ৬০ কোটি খৰচ হয়। আমি Govt. of India ৰ পৰা অনুদান ৭০ কোটি আৰু Loan ২৭ কোটি পাওঁ। মাননীয় সদস্যসকলে কয় যে ভাৰত চৰকাৰে যিখিনি টকা দিছে সেইখিনি ফিৰাই দিয়ক কেৱল ইয়াৰ পৰা পোৱা টকা ফিৰাই দিলে উন্নতিৰ পথ নাইকিয়া হব আমি এই ৯৭ কোটি টকা পোৱাৰ বাবেহে আমি কিছুমান কাম কৰিব পাৰিছো। বৰ্ত্তমানে আমি যি পৰিকল্পনা কৰিছো সেইমতে আমাক ৪২ কোটি টকা লাগে।

State national income 360 crores, 1968-69 800 crores, agricultural productivity, yield per acre has gone down, marginally, in all the sectors, industries, trade, commerce, agricultural sector, per capita income, Index of agricultural production was hundred in 1955, it is only 105 now, 5 percent productivity increase, lowest in India, price inflation, paddy income 77.6 crores of the State of Assam, 1968 257

crores, very slow progress, income from agriculture, cost of living, income from agriculture 198 crores, 1968-69 490 crores rural income agricultural income has gone up from 198 crores in 1961-62 to 490 crores in 1968-69.

এইখিনি টকা আমি এই বছৰ খৰছ কৰিবলৈ লৈছো। এইবিলাক আমি Existing Item ত খৰছ কৰিম। কাৰণ আমি সমানে আগ বাঢ়ি যাব খুজিছো। গতিকে আমি এইবাৰ যি আঁচনি কৰিছো তাৰ দ্বাৰা আগবাঢ়ি যাব পাৰিম। মাননীয় সদস্যসকলে চকুৰে নেদেখিলে উপায় নাই। যোৱা বছৰ আমাৰ দেশত ৪০.৮ কোটি টকাৰ আঁচনি আছিল এইবাৰ ৪২.২ কোটি টকাৰ। গতিকে আমাৰ উন্নতি হৈছে। মাননীয় সদস্যসকল Deficit বাজেট দেখি ভয় খাব নালাগে। আমাৰ কিমান লাভ হৈছে ইয়াৰ অৰ্থনীতিৰ পৰিনাম আমি আলোচনা কৰি আছো। Deficit ২টাৰ কাৰণে হয়।

দৰমহাৰ কাৰণে ধাৰ কৰা ভাল নহয়। Investment Development oriented হব লাগে। তেতিয়া Deficit ৰ পৰা লোকচান নাই। ইয়াৰ পৰা উন্নতি হব। আমি এনেকুৱা উন্নয়ণমূলক কামতহে আগবাঢ়িছো। গতিকে Deficit ৰ পৰা লোকচান নাই। তাৰ পৰা প্ৰগতি জন্মিব আৰু উন্নতিৰ সৃষ্টি হব।

Shri Phani Bora: "লোটাচ ইতাৰ" সকলে সপোন দেখি দেখি লোটাচ খায় আন একো নেদেখে।

Shri Kamakhya Prasad Tripathy: মই কৈছো যে মানুহে যত্ন কৰিব লাগে আৰু যত্ন সিদ্ধি নহলে কান্দিব নালাগে কাৰণ

ফলাফল ফল দাতা

বিভূৰ হাতত"।

Shri Dulal Chandra Borua: তেন্তে তেখেতেই নেতৃত্ব লওক।

Shri Kamakhya Prasad Tripathy: আমি Price Support Programme লৈছিলো। ফলত বস্তুৰ দাম বাঢ়িল। অলপ বস্তুৰ দাম বাঢ়িলে মানুহে গণ্ডগোল কৰে। আজি পুৰা পাটোৱাৰী ডাঙৰীয়াই কৈছে

আমাৰ যি শতকৰা ৯৫ ভাগ মানুহে বেছি পইচা পায় তেওঁলোক খেতিয়ক। আৰু শতকৰা ৫ ভাগ মানুহৰ কষ্টৰ কাৰণে—বেছি মানুহে যদি বেছি পইচা পায় তাৰবাবে কিয় আপত্তি কৰিছ—

(স্বৰ : সেইটো ইয়াত কিয় কব লাগে)

মাননীয় সদস্যই কোৱা কাৰণেই আঙুলিয়াই দিছো। মৈনুলহক চৌধুৰী যোৱাতো Receiption দিছিল।

১৯৬০ চনত Price support Programme মতে ৩৬০ কোটি আছিল। আকৌ ১৯৬৯ চনত ৮১০ কোটি হ'ল। গতিকে প্ৰায় দুগুণ বৃদ্ধি হ'ল। ৮ বছৰৰ ভিতৰতে দুগুণ হ'ল। খেতিৰ উৎপন্ন বঢ়া নাই বুলি ভাগৱতী দেৱেও সিদিনা কৈছিল। Agriculture Productivity বঢ়া নাই বুলি কৈছিল। সিফালৰ মাননীয় সদস্যইও আঙুলিয়াই দিছিল। Agriculture ত Marginally বাঢ়িছে কিন্তু Industry, Trade Commerce আদিতহে বেছি বাঢ়িছে। Agriculture Sector ত Per capita Income ১৯৬০ চনত আছিল ৩১১ টকা আকৌ এতিয়ালৈ ৫৫৬ টকা। মাননীয় হাজৰিকা দেৱে নোধা কথাটোলৈ আহিছো Index of Agriculture Productivity আজি হ'ল ১৯৫। আজি ১৭ বছৰৰ ভিতৰত কেৱল শতকৰা ৫% Productivity increass কৰিছে। Lowest in India.

In 1960 আমাৰ Paddy ত হ'ল 77·6 আৰু 1968 ত হ'ল 267, কিন্তু Production বঢ়া নাই। মাত্ৰ 5% বাঢ়িছে।

Shri Kabir Chandra Roy Pradhani :— যদি মূল্য বাঢ়ে অথচ দ্ৰব্য নাবাঢ়ে তেনেহলে দেশত দুৰ্ভিক্ষ নহব জানো।

Shri Kamakhya Prasad Tripathi :— বস্তু বাঢ়িছে ২১ লাখ টন। কাতি মাহত বৰষুণ হ'ল ১ লাখ টকা বাঢ়ে আৰু কাতি মাহত বৰষুণ নহলে ১ লাখ টন কমি যায়। আমাৰ বছৰত আছিল ২১ লাখ টন। কিন্তু খুব Slow Pragress। 77 কোটিৰ পৰা ২৫৭ কোটিলৈ Paddy income আমাৰ State ত বাঢ়িছে ইয়াৰ পৰা বুজা যায় যে State Govt. য়ে লোৱা Policy ৰ কাৰণেই এনেকৈ হৈছে। পাটোৱাৰী চাহাবেও বক্তৃতাত কৈছিল। সমবায়

হিচাবে এইখিনি অসুবিধা হৈছে। কিন্তু Policy সমূহীয়া ৰাইজৰ কাৰণেই কৰিছে।

Shri Dulal Chandra Borua :— অধ্যক্ষ মহোদয়, এটা কথা মই বুজি পোৱা নাই যে State income বঢ়াৰ কথা তেখেতে কৈছে যিহেতু বস্তুৰ মূল্য বাঢ়িছে। মূল্য বঢ়াৰ Basis ত উৎপন্ন বস্তু কম বাঢ়িছে। গতিকে সেই হিচাবে State income বঢ়া বুলি কব নোৱাৰোঁ।

Shri Kamakhya Prasad Tripathi :— কৃষি আয় ভাৰতবৰ্ষৰ তুলনাত আমাৰ অসমত ......

Shri Jalaluddi Ahmed :— আমাৰ ইয়াত দুই টকাৰে এসাজ ভাত খাব পাৰি কিন্তু কলিকতাত তিনি দিন চলিব পাৰি।

Shri Kamakhya Prasad Tripathi :—Cost of living ইয়াত বেছি। ১৯৬০ চনত দেবেশ্বৰ শৰ্মা Finance Minister থাকোঁতে আমাৰ Income আছিল 199। কিন্তু মোৰ দুৰ্ভাগ্য তেখেত নাই আৰু সৌভাগ্য যে বৰা আছে আৰু দুলাল বৰুৱা আছে। ১৯৬৮ চনত 490 আছিল।

মাননীয় সদস্যই বিচাৰিলে Paper খন দিব পাৰোঁ।

Shri Kabir Chanda Ray Pradhani :— 490 এইটো Agriculture Product Value.........

Shri Kamakhya Prasad Tripathi :— চাহ বাগানকে Plantation ত লোৱা হৈছে

Tea cultivation, 33 crores processing of tea industry, 140 crores for agriculture proper, 1968 agricultural lone 395 crores, this is a very interesting figure I have got, income per person engaged in agriculture, it was 566 rupees in 1960-61,

* It was Rs. 566 in 1960-61. Now it is Rs. 1119.4 in 1968-69. This is the per capita income of the people engaged in agriculture. It excludes tea gardens * Rs. 3.44 lakhs households.

এতিয়া মাননীয় সদস্য সকলে মাটিৰ কথাত বাৰে বাৰে এটা প্ৰশ্ন তোলে আমাৰ অসমত যিবিলাকৰ একেবাৰে মাটি নাই তাৰ সংখ্যা হল 3.44 Lakhs House hold অৰ্থাৎ 17.8% P.C. আৰু less than 1 acre 4·4 lakh Families. That means 27.9 % 2½ acres in 3·3 Lakhs Family, the Percentage being 21.1% তাৰমানে 66%P C Population has less than 2½ acres of land আৰু 2·½ and 5 acres include কৰে -

Shri Hiralal patoway :— যেতিয়া চৰকাৰে অঙ্ক বিলাক তৈয়াৰ কৰে — মই চৰকাৰক জনাব বিচাৰিছো যে মঙ্গলদৈ মহকুমাত ১৯৬১-৬২ চনৰ Census মতে ৬ লাখ মানুহ আছিল ; কিন্তু বাস্তৱত তাৰ জনসংখ্যা হৈছে ১৩ লাখ ৫০ হেজাৰ। যেতিয়া জনসংখ্যা ভুল হয়, তেতিয়া সকলো অঙ্ক ভুল বুলি ধৰা হয়।

অসমৰ জনসংখ্যাৰ হিচাব ১ কোটি ১৮ লাখ ; কিন্তু মোৰ বোধেৰে ২ কোটি ৫০ লাখ মান হব।

(Votes নহয় নহয়, সেইটো ভুল)

Shri Kamakhya Prasad Tripathi :— এতিয়া ৫ একৰৰ তলত যিবিলাক Figure লোৱা হয় তাত 98% P C. Population Family Covered.

Shri phani Bora :— Statics ত সমূহ অসমবাসীক ধৰি উলিয়াইছে নে ? of the total Population ?

Shri Kamakhya Prasad Tripathi :— সেই কাৰণে যদি এই মানুহ বিলাকক মাটি দিব পৰা গ'লহেতেন তেনেহলে তেওঁলোকে ১১০০ টকাৰ Per capita income ৰ কাম কৰিব পাৰিলেহেতেন। কিন্তু এই বিলাক

income নাই। সেই কাৰণে Total rural Per-capita income কৰি আছে। মাটি বিলোৱাৰ ক্ষেত্ৰত যথেষ্ট তথ্য আছে। সেই কাৰণে আমি land চিলিং act পাছ কৰিছো। The President's assent has arrived and we will be going forward to take action there on.

Shri Hiralal Patowary :— Tea garden ৰ বিষয়ে মাননীয় সদস্য শ্ৰীউপেন সনাতনে কৈ গৈছে যে চাহ বাগানত বহি থকা মানুহক উচ্ছেদ কৰি কৰি ষড়যন্ত্ৰ কৰি অন্য মানুহ সোমাই আছে। এই কথাটো মনত ৰাখিবনে? Shri Kamakhya Prasad Tripathi :— হয়। তেখেতসকলে যিটো কথা কৈছে সেইটো আমি Ceilling act apply কৰাত মনত ৰাখিম।

মাননীয় সদস্যসকলে ভাবে যে অসমৰ Per capita income কম। প্ৰকৃততে সেইটো শুদ্ধ নহয়। আমাৰ income India ৰ average ত আধা তলত আৰু আধা ওপৰত। India ৰ average ত ১৯৬০ চনৰ পৰা ১৯৬৮ চনলৈ প্ৰত্যেক বছৰে বেছি আছিল। মাত্ৰ 1965 আৰু 1966 ত আমাৰ average কম আছিল। Per capita income is the lowest in India.

এবছৰতহে আমাৰ কম আছিল—এতিয়া আমাৰ 5·56—In 1965 it was 418 as against 421

মাননীয় সদস্য সকলে জানে যে যোৱা বছৰটো আমাৰ কাৰণে এটা out standing year বুলি ইতিহাসত গণ্য হব।

১০০ বছৰৰ আগতে আমাৰ ইয়াত চাহ উৎপন্ন আৰম্ভ হয় কিন্তু Tea-auction নাছিল। বহুতো বাধা থকা সত্বেও যোৱা বছৰ গুৱাহাটীত চাহ-নীলাম কেন্দ্ৰ স্থাপন কৰিব পৰা হ'ল। মাননীয় সদস্যসকলে চাব যে ইমান ডাঙৰ ঘটনা এটা হ'ল।

Shri Sailen Medhi : State Revenue ৰ বৃদ্ধিৰ ক্ষেত্ৰত Tea-auction এ কিমান অৰিহণা যোগাইছে কব নোৱাৰো। বাহিৰৰ পৰা Broker আহি অসমত চাহ কিনে আৰু তেওঁলোকে Sale Tax অসম চৰকাৰক দিব নালাগে।

তেওঁলোকৰ কলিকতাত Firm থকাত বঙ্গদেশক দিব লাগে। কিছুমান চাহ বাগানে Tea-auction মাৰ্ফত বিক্ৰী নকৰি বাহিৰে বাহিৰে বিক্ৰী কৰে আৰু কলিকতাত Entry Tax আছে। গতিকে সেইটো exit tax লগাই তেওঁ লাকক Compelled কৰিব পৰা যায়; কিন্তু সেইটো কৰা নাই।

Tea-auction ৰ জৰিয়তে আমাৰ চৰকাৰৰ Revenue income হোৱা নাই।

Shri Kamakhya Prasad Tripathy : মাননীয় সদস্যসকলে চাব এইটো এটা বিৰাট ঘটনা হ'ল। Tea-auction Centre হ'ল। Tea-auction Centre টো দেৱাল মেৰাৰতৰ নিচিনা নহয়। মই যদি এইদৰে Comment কৰো যে এই বিৰাট ঘটনাৰ তাৎপৰ্য্য কোনেও বুজিব নোৱাৰিব।

মোৰ এইখিনিতে এটা গল্প মনত পৰিছে। Worths word এজন ডাঙৰ কবি আছিল। তেখেতৰ এজনী লিগিৰীও আছিল। তেখেতৰ মৃত্যু হোৱাৰ পাছতো মানুহ বিলাকে তেখেতৰ ঘৰটো চাবলৈ যায়। কিন্তু লিগিৰী জনীয়ে বুজিব নোৱাৰে যে কিয় মানুহবোৰ আহে।

এই Tea-auction ৰ কথাটোও ঠিক তেনেকুৱাই। এতিয়া Tea-auction Centre হ'ল কলিকতাত।

তেনে অৱস্থাত আজি এই Tea-Auction Centre টো অসমলৈ আহিল আৰু লাহে লাহে এই ¾ অংশ চাহো গুৱাহাটীৰ বজাৰলৈ আহিব। মই আশা ৰাখিছো যে, আমাৰ গুৱাহাটীত More than 100 P. C. চাহ Auction হব

এতিয়া এই বিৰাট বজাৰখন যেতিয়া কলিকতাৰ পৰা গুৱাহাটীলৈ গুচি আহিছে তাৰ দ্বাৰা আমাৰ অসমৰ চাহৰ নিৰাপত্তাও ঘুৰি আহিছে।

Shri Giasuddin Ahmed : এই Tea-Auction centre ৰ পৰা আমাৰ কি লাভ হৈছে তাক জনাব লাগে।

Shri Kamakhya Prasad Tripathi : মাননীয় সদস্যসকলে আমাৰ ভাল বিলাক শুনিবলৈ বোধকৰো বেয়া পায় নেকি? বাৰু যি কি নহওক মাননীয় সদস্যই যিটো প্ৰশ্ন কৰিছিল—সেইটো আছিল Entry tax সম্বন্ধে। এই

ক্ষেত্ৰত বঙ্গদেশৰ চৰকাৰ চিন্তিত হৈ পৰি-ছ—যে, এই Entry tax টো উঠাই নিদিয়াটোৱেই তেওঁলোকৰ ভুল হলনেকি ? কাৰণ এই বিষয়ে বঙ্গদেশত গুণা-গথা চলিছে। এতিয়া এই Entry tax ৰ পৰা আমাৰ চাহ ব্যৱসায়ীসকল ৰক্ষা পৰিছে। মানহাতে আমাৰ ইয়াতটো কলিকতাৰ দৰে Sale tax নায়েই। ইয়াত যাতে বজাৰ খন ভাঙৰ হবলৈ সকলো সুবিধা পায় তাৰ কাৰণে সকলো চেষ্টা কৰা হব। আমাৰ মেধি ডাঙৰীয়াই সুধিছে যে, ভাৰত চৰকাৰে অসমৰ চাহৰ ওপৰত ৫০ পইচাৰ পৰা Excise Duty বঢ়াই ১১৫ পইচা কৰিছে। এই ক্ষেত্ৰত মই কবখোজো যে, অসমৰ চাহ বাগানবিলাকৰ এই কাৰণত যিমানখিনি লোকচান হ'লহেতেন সিমানখিনি লোকচান হোৱাৰ সম্ভাৱনা নাই। কাৰণ চাহ Export ৰ কাৰণে কলিকতাত যি Firm আছে তাৰ পৰা আমি এটা Subsidy ও পাম।

Shri Govinda Kalita : এই Tea Auction হোৱাৰ পৰা চাহৰ দাম কিয় ইমান বেচি হ'ল

Shri Kamakhya Prasad Tripathi : মাননীয় সদস্যই কিনাৰ ওপৰতহে দাম নিৰ্ভৰ কৰে। বাগানৰ পৰা পুৰণা চাহ কিনিলে বেচি দাম দিবলগীয়া নহয়। কিন্তু যিটো Package চাহ এইটো কলিকতালৈ গৈহে ঘূৰি আহে এই বছৰ এই চাহত যিমানখিনি লোকচান হোৱাৰ আশা আছিল, এই লোকচানৰ আশা গুৱাহাটীত Auction হোৱাৰ কাৰণে নাইকিয়া হ'ল। কাৰণ ইয়াৰ পৰা ১৩ পইচাকৈ Entry tax Saving হ'ল আৰু ৩৫ পৰা ৫০ পইচালৈকে যাতায়াত খৰচত Saving হ'ল। ফলত এতিয়া লোকচান নহৈ লাভহে হব। এই লাভ হোৱাৰ কাৰণে শতকৰা ৬২ % ভাগ কৃষি আয়কৰ আমি মালিকসকলৰ পৰা পাম। ইয়াৰ আগতে অসম চৰকাৰে এই মুনাফা নোপোৱাৰ সম্ভাৱনাই আছিল।

Shri Sailen Madhi :— এই Agriculture Income tax টো Tea Auction centre টো কলিকতাত থকাহেতেনো পালেহেতেন। কিন্তু ইয়াত মাত্ৰ এই চাহ বাগানৰ মালিক সকলেহে বেচি সুবিধা পাব।

Shri Kamakhya Prasad Tripathi :— মাননীয় সদস্যই কথাটো নুবুজিলে। এই কৃষি আয় কৰটো আমাৰ লাভ হব। কাৰণ এই কৃষি আয় কৰটোতো

Flate Rate ত নহয়। আজি যদি কোনো বাগানে ভাল নকৰে বা লাভ কৰিব নোৱাৰে তেতিয়াহলে আমি তাৰ পৰা কোনো কৰ নাপাও। তাত আমাৰ আয় হব শূন্য। আজি আমাৰ চাহ বাগানৰ পৰা হোৱা আয়ৰ সংখ্যা ৩ কোটিৰ পৰা কমি আহি ২ কোটি পাইছেহি। কিন্তু বৰ্ত্তমান পৰিবৰ্ত্তনৰ পৰিনামস্বৰূপে চাহ বাগানৰ মুনাফা বঢ়াৰ ফলত আমাৰ অংশও বাঢ়ি যাব। আৰু আমাৰ টকাও সেইহিচাবে বাঢ়ি যাব।

Shri Dulal Chandra Baruah :— কলিকতাত যি Tea Auction centre আছিল তালৈ সৰহভাগ চাহ আমাৰ ইয়াৰ পৰা যায়। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ পৰা প্ৰায় ৫৮ কোটি টকা উপাৰ্জন কৰে আৰু west Bengal চৰকাৰেও প্ৰায় ১৮ কোটি মান টকা পায় আমাৰ অসমলৈ এই Tea Auction centre টো আনোতেও দুটা উদ্দেশ্যই দেখিছিলো। এটা হৈছে যে, এই Tea Auction টো হোৱাৰ কাৰণে আমাৰ ইয়াৰ প্ৰায় ১৩।১৪ হাজাৰ লৰাই চাকৰি বাকৰি পাব আৰু তাৰ লগে লগে আমাৰ ৰাজ্যৰ Revenue income ও বঢ়ি যাব। কিন্তু এইবিলাকৰ হোৱাৰ কাৰণে আমি চৰকাৰৰ কোনো আচঁনিকেই দেখা নাই বা কোনো সিদ্ধান্ততে উপনীত হোৱা দেখা নাই।

Shri Kamakhya Prasad Tripathi : মাননীয় সদস্যই বোধ কৰো জানে যে, আমাৰ বহুতো অসমীয়া মানুহ ইয়াত দালাল হৈছে। ইয়াৰোপৰি আমাৰ বহুত অসমীয়া Graduate এ Central warehousing Corporation কৰিছে আৰু তেওঁবিলাকে এইবোৰ নিজেই পৰিচালনা কৰিছে। তাৰোপৰি এইখন এখন প্ৰায় ১০০ কোটি টকাৰ বজাৰ হব। ইয়াৰ Transaction কিমান মানুহ সোমাব পাৰিব তাৰ কোনো লেখ নাই। এতিয়া ইয়াত যিবোৰ মানুহ সোমাব হয়তো ৪/৫ বছৰত তেওঁলোক Tea Expoter হৈ পৃথিৱীৰ বজাৰতো সোমাব পাৰিব। ইয়াত কেৰেনীৰ কলম ঘুৰোৱাৰ কথা নাই। ইয়াত মাত্ৰ ব্যৱসায় বাণিজ্যত সুবিধা দিয়াৰ কথাহে প্ৰধান। সেই কাৰণে ইয়াত কিমান মানুহ সোমাব পাৰে এইটো এটা limitless কথা।

তাৰ পাচত আমাৰ মাননীয় সদস্য কেইজনা মানে আমাৰ আগৰ ছবিখন একেবাৰে Gloomy বুলি উল্লেখ কৰিছে। কিন্তু সেইটো সঁচা নহয়। আমি ইয়াৰ পৰা Immediately এই নাপাবলগীয়া কৃষি আয়কৰ খিনি পাম

আৰু আমাৰ চাহ বাগানৰ মালিক সকলে কলিতাৰ বজাৰত যিখিনি লাভৰ পৰা বঞ্চিত হৈ আছিল সেইখিনি পোৱাৰ সুযোগ পাব। গতিকে "Tea as a Prosporous Industry" — ইয়াত সম্পূৰ্ণ সম্ভাৱনা আছে। এই চাহ যিমানেই বাঢ়িব সিমানেই আমাৰ চাহ শিল্পৰ কিনা বেচা হব আৰু তাৰ পৰা আমি চক্ৰবৃদ্ধি হাৰত Sale tax আদি পায় সমৃদ্ধিশালী হব পাৰিম। কাৰণ সেই লাভাংশ আমাৰ উৎপাদানশীল আচঁনিত বিনিয়োজিত কৰিব পৰা হব। যেতিয়া আমাৰ গুৱাহাটী আৰু কাণ্ডলা Port train ৰ দ্বাৰা সংযোজিত গুৱাহাটীৰ পৰা ১০ দিনতে অসমৰ চাহ কাণ্ডলা পাবগৈ আৰু যদি Suez-Cannal খুলি দিয়ে তেতিয়াহলে এমাহ দিনৰ আগতে London market পাবগৈ।

আপোনালোকে যিটো লোকচানৰ কথা কৈছে সেইটো নহয়। Indirectly বেচি লাভ হয় আৰু directly কম লাভ হয়। মাননীয় সদস্য সকল ইমান কিয় নিৰাশাবাদী হৈছে? এই যে ১০০ কোটি টকাৰ Petro Chemical Complex. ই এটা বিৰাট Development. ইয়াৰ এটা By Product সিন্দ্ৰীলৈ যাব আৰু বাকী গোটেই কেইটা ইয়াতে Processing হব। ইয়াৰ কাৰণে আমাৰ যথেষ্ঠ সহায়ক নেথাকিলেও তাৰ পৰা কাপোৰ উৎপাদন কৰিব পাৰিম। Silk ৰ লগত Mix কৰিয়েই কাপোৰ উৎপাদন কৰিব পৰা যাব।

**Shri Phani Barah** :— Associated Industry ত কপাহ খিনিৰ কামকে সম্ভৱপৰ কৰি তুলিব নোৱাৰিলে আৰু এতিয়া Silk yearn out of pollister fibre কৰিব খুজি আমাক কিয় ভুৱা দিব খুজিছে? Associated Industry তে কোনো Production plan কৰি উৎপাদন বঢ়াব পৰা নাই। গতিকে এতিয়া আৰু এইবিলাকৰ কথা কৈ কিয় ভুৱা দিব খুজিছে?

**Shri Kamakhya Prasad Tripathi** :—মোৰ ভুৱা দিয়াৰ অভ্যাস নাই। ওচৰত যিটো সম্ভৱ দূৰত সেইটোৱেই ভুৱা। অথচ দূৰত সিয়েই সম্ভৱ। বৰ্তমানত ভুৱা বুলি কলেও ভৱিষ্যতৰ তুলনাত সিয়েই দিঠক।

আজি বোম্বাই, হাইদৰাবাদ আৰু মাদ্ৰাজতেই ৭৪ টা Taxtile Mill বন্ধ হৈ যোৱাৰ পিছত শেষত উপায়ন্তৰ হৈ ভাৰত চৰকাৰে এটা Corporation গঠন কৰি দিলে—only to take over these mills,

Associated Industry খুলি worker বিলাকক মাৰিব খোজা নাই। Worker ৰ কাৰণেইটো এই Industry বিলাক খোলা হৈছে। মালিকৰ কাৰণে নহয়। এই কথাষাৰ Associated Industry Support কৰিছে। মই কৈছো ভাৰতবৰ্ষত 30% কাৰখানা marginal আৰু 60% profitable গতিকে এই frofitটো Bombay আৰু Madras ত থাকিব আৰু অসমত নেথাকিব নে? আজি আপোনালোকে অসমত Associated Industry বন্ধ হৈ থকাৰ বাবে ভয় খাইছে। কিন্তু Bombay Madras আৰু আন আন উন্নত ঠাইবোৰতো প্ৰায়েই কাৰখানা বন্ধ হৈ থাকে। গতিকেই নিৰাশাবাদী হোৱা পদ্ধতিটো মোৰ নাই। মাননীয় সদস্য সকলৰো নাই অৱশ্যে। কেৱল মোৰ লগত তৰ্ক কৰাৰ কাৰণেইহে মোক নিৰাশাবাদী বুলি কৈছে। এতিয়া এটা ডাঙৰ সম্ভাৱনা হৈছে যে জাপানী callaboration ত নামৰূপত এটা Petro Chemical Complex কৰিব খুজিছো।

দ্বিতীয়তে এতিয়া আটাইতকৈ এটা ডাঙৰ সম্ভাৱনা হৈছে যে আমাৰ মুখ্য মন্ত্ৰীয়ে কৈছে যে—Brahmaputra flood Control Commission টো ভাৰত চৰকাৰে লবৰ সম্ভাৱনা আছে।

আমাৰ কোনো কোনো সদস্যই কোৱাৰ দৰে এইটো ১০০ কোটিৰ কাৰবাৰ নহয়। ইয়াত ৫০০ কোটিতকৈও বেছি টকা লাগিব। কাৰণ ইয়াত International Expert আহিব আৰু International Commission বহিব ইত্যাদি।

Shri Promod Chandra Gogoi :—তেখেতে যে ৫০০ কোটি টকাৰ কথা কৈছে, কিন্তু এতিয়ালৈকে ১৫ কোটিকে পোৱা নাই।

Shri Kamakhya Prasad Tripathi :— মাননীয় সদস্যই বোধকৰো Parkinson Low নেজানে।

গতিকে আমি খোজনীয়া হবলৈ নাজানিলো। আমি বেচিকৈ খুজিব লাগিছিল। আমি ভুল কৰি কম খুজিলো।

Shri Hiralal Patowary :— মই এটা clarification বিচাৰিছো। ব্ৰহ্মপুত্ৰ কমিশ্যনটো International Agency হোৱাৰ আগতে এই সম্পৰ্কীয় তথ্য পাতি

সংগ্ৰহ কৰিব লাগে। ব্ৰহ্মপুত্ৰ অকল খাণ্ডিলেই নহয়। কাৰণ খণ্ডা বিলাক আকৌ পুৰ হৈ যাব।

Shri Kamakhya Prasad Tripathi : — মই এই কথালৈ পিচত আহিম। আমাৰ দেশত Assam is the only State in India which has surplus in electricity. অন্য ঠাইত আমাৰ নিচিনা বিজুলি শক্তি নাই।

Shri Dulal Chanda Barua :— আমাৰ ইমান যে Power সেই Power এ Industry নাপালে মানুহৰ মুৰকে টানি নিব। (হাঁহি)

Shri Kamakhya Prasad Tripathi : বিজুলিৰ শক্তিৰ সম্পৰ্কত লেনিনে কৈছিল —.........

